# Course 507

# শিশুৰ আইনগত অধিকাৰ আৰু বিদ্যালয় ব্যৱস্থাসমূহ

ব্লক - 2

গোট - 5

টোকা

## গোট - 5 ঃ শিশুৰ আইনগত অধিকাৰ আৰু বিদ্যালয় ব্যৱস্থাসমূহ

# গাঁথনি


5.0 প্ৰস্তাৱনা

5.1 শিকন উদ্দেশ্যাৱলী

5.2 শিক্ষাৰ অধিকাৰ ভিত্তিক অভিগমন

- 5.2.1 শিক্ষাৰ ক্ষেত্ৰত শিশুৰ অধিকাৰ
- 5.2.2 মানৱ অধিকাৰ হিচাবে শিক্ষাৰ অধিকাৰ
- 5.2.3 শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, 2009

5.3 সমগ্ৰ বিদ্যালয় ভিত্তিক অভিগমন

- 5.3.1 বিদ্যালয়ৰ অৰ্থ আৰু ধাৰণা
- 5.3.2 সুযোগ, সমতা আৰু মানদণ্ড
- 5.3.3 বিদ্যালয়ৰ সম্পদসমূহ - ভৌতিক সা-সুবিধাসমূহ
  - 5.3.3.1 শিশুৰ নিৰাপত্তা আৰু বহাৰ ব্যৱস্থা
  - 5.3.3.2 মধ্যাহ্ন ভোজন ব্যৱস্থা
  - 5.3.3.3 খোৱাপানী, পায়খানা, খেলপথাৰ, খেলাৰ ব্যৱস্থা

5.4. শিশুকেন্দ্ৰিক শিক্ষা সহায়ক বিজ্ঞান সন্মত প্ৰক্ৰিয়াসমূহ

- 5.4.1 শিশু-কেন্দ্ৰিক শিক্ষা অভিগমনৰ ধাৰণা
- 5.4.2 শিক্ষাৰ্থী সম্পৰ্কে বোধ

5.5. সংক্ষেপে জানি থওঁ আহক

5.6 অধ্যয়নৰ বাবে অগ্ৰগতিৰ মূল্যায়নৰ উত্তৰসমূহ

5.7 অধ্যয়নৰ বাবে অনুমোদিত গ্ৰন্থ আৰু প্ৰাসংগিক গ্ৰন্থসূচী

5.8 গোটৰ শেষৰ অনুশীলনী


## 5.0 প্ৰস্তাৱনা ঃ

এই কোৰ্চৰ 1নং ব্লকত আমি পিতৃ-মাতৃ, শিক্ষক আৰু সমাজৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক আৰু বিদ্যালয়ৰ বিকাশৰ ওপৰত প্ৰত্যেকৰে অৰিহণা সম্পৰ্কে জানিব পাৰিছোঁ। বিদ্যালয়ৰ বাবে সমাজ হৈছে এক গুৰুত্বপূৰ্ণ সম্পদ আৰু এই ক্ষেত্ৰত বিদ্যালয়ে সমাজৰ


টোকা

লগত সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। বিদ্যালয়ত সমাজৰ অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে SSA আৰু RTE আঁচনিত PTA, MTA, SMC ইত্যাদি ব্যৱস্থাসমূহত গুৰুত্ব প্ৰদান কৰা হৈছে আৰু এই দিশসমূহৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে।

এই ব্লকত আপুনি বিদ্যালয় ব্যৱস্থা আৰু শিশুৰ শিকনত ইয়াৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰিব পাৰিব। এজন শিক্ষক হিচাবে বিদ্যালয়ৰ সা-সুবিধাসমূহ আৰু আন সম্পদসমূহৰ সম্পৰ্কে আপোনাৰ সচেতনতাৰ প্ৰয়োজন। ইয়াৰ লগতে বিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ জৰিয়তে শিক্ষাৰ গুণগত মান উন্নয়নৰ ক্ষেত্ৰত এই দিশসমূহৰ গুৰুত্ব মূল্যায়নৰো প্ৰয়োজন। শিশুকেন্দ্ৰিক আৰু শিশুৰ অনুকূল এক নিৰাপত্তাপূৰ্ণ আৰু সুস্থ পৰিৱেশ প্ৰদান কৰা বিদ্যালয় ব্যৱস্থাৰ অন্যতম দায়িত্ব। বৰ্তমান আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি নিৰ্ধাৰিত বয়স স্তৰলৈকে শিশুসকল ন্যূনতম প্ৰয়োজনীয় শিক্ষাৰ সুযোগ প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰসমূহক বাধ্য কৰা হৈছে। এই অধ্যায়ত আপুনি মানৱ অধিকাৰৰ অংশ হিচাবে শিশুৰ আইনগত অধিকাৰ সমূহ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় ব্যৱস্থা সমূহৰ বিষয়ে জানিব পাৰিব। ইয়াৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাবে আপুনি এখন বিদ্যালয়ৰ সামগ্ৰিক বিকাশৰ অন্তৰালৰ ধাৰণাসমূহৰ বিষয়ে জ্ঞাত হ'ব।

## 5.1 শিকন উদ্দেশ্যাৱলী ঃ

এই গোটটো অধ্যয়নৰ অন্তত আপুনি

- মানৱ অধিকাৰ হিচাবে শিক্ষাৰ অধিকাৰক ব্যাখ্যা কৰিব পাৰিব।
- মানৱ অধিকাৰৰ পৰিপ্ৰেক্ষিতত শিশুক সংজ্ঞাবদ্ধ কৰিব পাৰিব।
- সমগ্ৰ বিদ্যালয়ৰ অভিগমনক ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- বিদ্যালয়ৰ অন্তৰ্ভাগ আৰু বহিৰ্ভাগত উপলব্ধ বিভিন্ন সম্পদ সমূহ বৰ্ণনা কৰিব পাৰিব।
- RTE আইন 2009ত উল্লেখ কৰা বিভিন্ন ব্যৱস্থাসমূহ আৰু বিদ্যালয়ত উপলব্ধ সা-সুবিধাসমূহৰ তুলনা কৰিব পাৰিব।
- বিদ্যালয়লৈ যোৱা শিশুসকলে সুযোগ সমূহ লাভ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা বাধাসমূহ বৰ্ণনা কৰিব পাৰিব।
- বিদ্যালয়ত শিশুসকলৰ কাম-কাজসমূহ প্ৰভাৱিত কৰা কাৰকসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- শিশুকেন্দ্ৰিক আৰু শিশুৰ অনুকূল শিক্ষাদানৰ বিজ্ঞানসন্মত পদ্ধতি সমূহৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

## 5.2 শিক্ষাত অধিকাৰ ভিত্তিক অভিগমন ঃ

নগৰীয়া পৰিৱেশত সহজে পৰিলক্ষিত হোৱা তলত উল্লেখ কৰা পৰিস্থিতিৰ

টোকা

বিষয়ে পঢ়ক আৰু এই বিষয়ে চিন্তা কৰি চাওক।

1. এক দম্পতী চোহান আৰু মঞ্জুৱে এটা হাউচিং চ'ছাইটীৰ বাসিন্দাসকলৰ কাপোৰ ইস্ত্রি কৰে। তেওঁলোকৰ দুজনী ছোৱালী আছে। এজনীৰ বয়স 4 বছৰ আৰু আনজনীৰ বয়স 10 বছৰ। এই দম্পতী সাক্ষৰ হ'লেও তেওঁলোকৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। তেওঁলোকে পুৱা 9 বজাৰ পৰা ৰাতি 8 বজালৈ কঠোৰ পৰিশ্ৰম কৰিছিল। তেওঁলোকৰ দুয়োটি শিশু বিদ্যালয়লৈ গৈছিল। কিন্তু বিদ্যালয় বন্ধৰ দিনত আৰু বিদ্যালয়ৰ পৰা অহাৰ পাছত তেওঁলোকৰ দুয়ো গৰাকী কন্যাই মূৰত কাপোৰৰ ডাঙৰ টোপোলা লৈ মানুহৰ ঘৰে ঘৰে দিবলৈ গৈছিল। কেতিয়াবা কেতিয়াবা মাক-দেউতাকৰ কামৰ বোজা বেছি হ'লে তেওঁলোক বিদ্যালয়লৈ যোৱাও নাছিল। হাউচিং ছ'চাইটীৰ কিছু বাসিন্দাই নিজৰ সন্তানক বিদ্যালয়লৈ নপঠাই কামত লগাব নালাগে বুলি চোহান আৰু মঞ্জুক সাৱধান কৰিছিল। এই বাসিন্দাসকলৰ সকীয়নিত সেই ঠাইৰ পৰা গুচি যাব লগা হোৱাৰ ভয়ত এই দম্পতীয়ে তেতিয়াৰে পৰা নিজৰ সন্তানক স্কুল ক্ষতি কৰি কামত লগোৱা ব্যৱস্থা বন্ধ কৰি দিয়ে।

2. নগৰৰ বজাৰত মহেশৰ এখন গেলামালৰ দোকান আছে। তেওঁ মানুহৰ ঘৰত দোকানৰ বস্তু কঢ়িয়াবৰ বাবে আৰু মানুহৰ ঘৰে ঘৰে দিবৰ বাবে কিছুমান 14 বছৰৰ তলৰ শিশুক নিয়োজিত কৰিছিল। এই শিশুসকলে বিদ্যালয়ত নামভৰ্তি কৰা নাছিল। নগৰৰ বস্তি অঞ্চলত বাস কৰা তেওঁলোকৰ দুখীয়া পৰিয়াল বাবে তেওঁলোক উপাৰ্জনৰ উৎস আছিল। মহেশে অনৈতিকভাৱে শিশুসকলক কামত লগাই বা অপব্যৱহাৰ কৰি তেওঁৰ ব্যৱসায় চলাই আছিল। এই ক্ষেত্ৰত স্থানীয় কোনো লোকে কোনো গুৰুত্ব প্ৰদান কৰা নাছিল।

3. লজোৱে এখন হাউচিং ছ'চাইটীত মানুহৰ ঘৰে ঘৰে ঘৰুৱা কাম কৰিছিল আৰু তেওঁৰ স্বামীয়ে ৰিক্সা চলাইছিল। তেওঁলোকৰ পৰিয়ালত সাতটা সন্তান। পাঁচজনী ছোৱালী আৰু দুটা ল'ৰা। তেওঁলোকৰ ল'ৰা দুজনহে বিদ্যালয়লৈ যায়। ছোৱালী কেইজনীয়ে ঘৰত আৰু মাকে কাম কৰা মানুহৰ ঘৰত ৰন্ধা-বঢ়া, ধোৱা পখলা ইত্যাদি সৰু সুৰা কাম কৰিছিল। সেই অঞ্চলৰ দুই এক সচেতন ব্যক্তিয়ে এই ছোৱালী কেইজনীক ওচৰৰ চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিবৰ বাবে তেওঁলোকৰ পিতৃ-মাতৃক উপদেশ দিছিল। কিন্তু তেওঁলোকৰ পিতৃ-মাতৃয়ে এই কথাৰ বিৰোধিতা কৰিছিল। তেওঁলোকে কৈছিল যে ছোৱালী কেইজনীক বিদ্যালয়লৈ পঠাই দিলে তেওঁলোকৰ পৰিয়ালৰ উপাৰ্জন যথেষ্ট কমি যাব। সেইবাবে তেওঁলোকে ছোৱালী কেইজনীক বিদ্যালয়ৰৈ পঠাবলৈ অমান্তি হৈছিল। ফলত তেওঁলোকৰ ছোৱালী কেইজনী বিদ্যালয় শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল।

ওপৰত উল্লেখ কৰা ঘটনাসমূহ পিতৃ-মাত আৰু সমাজৰ দ্বাৰা শিশুসকল অপ ব্যৱহাৰকৰণৰ আৰু শিক্ষাৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিতকৰণৰ উদাহৰণ।



টোকা

আপুনি এই কথাত নিশ্চয় সহমত হ'ব যে ব্যক্তি আৰু সমাজ জীৱনৰ গুণগত মানৰ উন্নতিৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অৰ্থনৈতিক উন্নতি আৰু বিজ্ঞান প্ৰযুক্তিৰ অগ্ৰগতিৰ উৎস হিচাপে শিক্ষাই এখন দেশৰ দৰিদ্ৰতা দূৰীকৰণত আৰু সামাজিক সমতা স্থাপনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ব্যক্তি আৰু সমাজৰ বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে সচেতনতাৰ সৃষ্টিৰ বাবে বৰ্তমান আন্তৰ্জাতিক পৰ্যায়ত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান বিদ্যালয় শিক্ষাৰ বাহিৰত ৰৈ যোৱা শিশুসকল আৰু আধাতে বিদ্যালয় ত্যাগ কৰা শিশুসকলৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰিবৰ বাবে বিভিন্ন আন্তৰ্জাতিক সংগঠন আৰু সংস্থাই বিভিন্ন নীতি-নিৰ্দেশনা আৰু ব্যৱস্থা গ্ৰহণ কৰিছে। 1948 চনৰ ৰাষ্ট্ৰ সংঘৰ মানৱ অধিকাৰ ঘোষণা পত্ৰৰ 26নং অনুচ্ছেদত এই কথা ঘোষণা কৰা হৈছে যে প্ৰতিজন ব্যক্তিয়ে শিক্ষাৰ অধিকাৰ আছে আৰু এই শিক্ষা হ'ব বিনামূলীয়া আৰু বাধ্যতামূলক। ইয়াত শিক্ষা প্ৰক্ৰিয়াক ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। ইয়াৰ দ্বাৰা মানৱ অধিকাৰ আৰু সকলোৰে গুণগত শিক্ষা লাভৰ মৌলিক অধিকাৰ সাব্যস্তকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সেইদৰেই আন্তৰ্জাতিক অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ চুক্তি পত্ৰ (ICESCR)ৰ 13 নং অনুচ্ছেদত এই কথা স্পষ্টভাৱে কোৱা হৈছে যে — 'শিক্ষা হৈছে এটা মানৱ অধিকাৰ আৰু লগতে আন মানৱ অধিকাৰসমূহ কাৰ্যকৰীকৰণৰ এক অপৰিহাৰ্য মাধ্যম। ইয়াৰ পৰিপ্ৰেক্ষিতত কোৱা হৈছে মহিলাসবলীকৰণ, শিশুক পব্যৱহাৰ আৰু নিষ্পেষণমূলক শ্ৰমৰ পৰা বিৰতকৰণ, মানৱ অধিকাৰ আৰু বিকাশ, পৰিৱেশ সংৰক্ষণ আৰু জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। (চিনবো, 2005)

## 5.2.1. শিক্ষাৰ প্ৰেক্ষাপটত শিশুৰ অধিকাৰ ঃ




**কাৰ্যাৱলী ঃ 1**

আপোনাৰ স্থানীয় এলেকাত বা বিদ্যালয়ত আপুনি প্ৰত্যক্ষ কৰা, পঢ়া অথবা শুনা শিশু নিষ্পেষণ বা অপব্যৱহাৰ সংক্ৰান্ত দুটা উদাহৰণ দিয়ক (ওপৰত উল্লেখ কৰাৰ বাহিৰে)। এই ক্ষেত্ৰত আপোনাৰ প্ৰতিক্ৰিয়া বৰ্ণনা কৰক আৰু নিষ্পেষিত শিশুসকলক



টোকা

সহায় কৰাৰ ক্ষেত্ৰত আপুনি গ্ৰহণ কৰিব খোজা ব্যৱস্থাসমূহৰ বিষয়ে বৰ্ণনা কৰা।

আপুনি নিশ্চয় জ্ঞাত যে প্ৰতিখন সমাজতেই শিশুৰ অপব্যৱহাৰ আৰু নিষ্পেষণ বৰ্তমান। আপোনাৰ চাৰিওফালে আপুনি শিশু শ্ৰমিক, পিতৃ-মাতৃৰ দ্বাৰা শিশুসকলক মাৰধৰ কৰা, শিক্ষকৰ দ্বাৰা দৈহিক শাস্তি প্ৰদান, লিংগ বা জাতিৰ ভিত্তিত বিদ্যালয়ত শিশুসকলৰ প্ৰতি প্ৰভেদসূচক ব্যৱহাৰ ইত্যাদি অনেক ঘটনা সততে প্ৰত্যক্ষ কৰে। শিক্ষকসকলে শিশুৰ ব্যক্তিত্ব গঢ় দি তোলাৰ ক্ষেত্ৰত এই দিশসমূহে বিশিষ্ট ভূমিকা গ্ৰহণ কৰে।

এজন ভাল শিক্ষকে শিশুৰ মনত দীৰ্ঘস্থায়ী চাপ পেলাই আৰু এই চাপ শিশুৰ জীৱনত দীৰ্ঘস্থায়ী হয়। পৰিয়ালৰ পিছতে এজন শিক্ষকে শিশুৰ জীৱন বিকাশ প্ৰক্ৰিয়াত বিশেষ প্ৰভাৱ পেলায়।

এজন শিক্ষক হিচাপে শ্ৰেণী কক্ষত, বিদ্যালয়ত আৰু স্থানীয় এলেকাত শিশুৰ বাবে এক নিৰাপত্তাপূৰ্ণ আৰু সুস্থ পৰিৱেশ প্ৰদান কৰাটো আপোনাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। এই ক্ষেত্ৰত আপুনি নিজকে কেৱল জ্ঞান প্ৰদানকাৰী হিচাপে বিবেচনা কৰিলে নহচব। এজন শিক্ষক হিচাপে আপুনি এজন পৰামৰ্শ দাতা, নিৰ্দেশক নেতা, ৰক্ষক আৰু সমাজ পৰিৱৰ্তনৰ বাহক হ'ব লাগিব। শিশুক অপব্যৱহাৰ আৰু নিষ্পেষণ শোষণৰ পৰা ৰক্ষা কৰিবৰ বাবে আপুনি শিশুসকলৰ অধিকাৰসমূহ, বিশেষভাৱে শিক্ষাৰ অধিকাৰসমূহৰ বিষয়ে জ্ঞাত হ'ব লাগিব।

**শিশুৰ সংজ্ঞা ঃ**

ৰাষ্ট্ৰসংঘৰ শিশুৰ অধিকাৰ সন্মিলনত শিশু সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাটো বিশ্বৰ অধিকাংশ ৰাষ্ট্ৰই অনুমোদন কৰিছে। আন্তৰ্জাতিক আইন অনুযায়ী '18 বছৰৰ তলৰ প্ৰতিজন মানুহকেই শিশু বুলি কোৱা হয়।' ভাৰতবৰ্ষতো 18 বছৰৰ তলৰ প্ৰতিজন ব্যক্তিৰেই বিশেষ আইনী সত্তা আছে। গতিকে আপোনাৰ এলেকাৰ চহৰ/গাঁৰৰ 18 বছৰৰ তলৰ সকলো ব্যক্তিয়েই শিশু আৰু তেওঁলোকক আপোনাৰ সুৰক্ষা আৰু সহায়ৰ প্ৰয়োজন।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1**

তলৰ নিৰ্ধাৰিত খালী অংশত উত্তৰ লিখক ঃ

1. ভাৰতবৰ্ষৰ আইনৰ দ্বাৰা তলৰ উল্লেখিত ক্ষেত্ৰত এজন ব্যক্তিৰ (পুৰুষ আৰু মহিলা) অনুমোদিত বয়স হৈছে—

(ক) বিবাহৰ বাবে যোগ্যতা লাভৰ বাবে

(খ) গাড়ী চলোৱাৰ অনুজ্ঞা পত্ৰ লাভ কৰিবৰ বাবে

(ঘ) ভোটাধিকাৰ লাভৰ বাবে

..............................................................................................................

..............................................................................................................

..............................................................................................................



টোকা

2. শিশুক অধিক মনোযোগৰ প্ৰয়োজন? ইয়াৰ কাৰণ হৈছে ———

(ক) তেওঁলোক জীৱন পৰিস্থিতিত তেওঁলোক তেওঁলোকৰ চৰকাৰৰ কাম বা সা-সুবিধাৰ পৰিপ্ৰেক্ষিতত প্ৰাপ্তবয়স্কসকলৰ তুলনাত অসুৰক্ষিত ।

(খ) আমাৰ সমাজত কোনো সিদ্ধান্ত গ্ৰহণ আৰু সমাজলৈ অৰিহণা যোগোৱাৰ ক্ষেত্ৰত শিশুসকলক এজন ব্যক্তি হিচাপে নিজস্ব মন, দৃষ্টিভংগী আৰু সামৰ্থৰ ওপৰত গুৰুত্ব দিয়া নহয়।

(গ) শিশুসকলৰ ভোটাধিকাৰ নাই আৰু তেওঁলোকৰ কথা কোনেও নুশুনে।

(ঘ) শিশুসকল অপব্যৱহাৰ আৰু শোষণৰ ক্ষেত্ৰত বিশেষভাৱে অসুৰক্ষিত।

শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত সকলোতকৈ গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক আইনী ব্যৱস্থা হৈছে ৰাষ্ট্ৰসংঘৰ শিশু অধিকাৰ সন্মিলন। ইয়াত শিশুৰ বাবে নিৰ্ধাৰিত মানৱ অধিকাৰৰ ওপৰত গুৰুত্ব দিয়া হয়। কাৰণ এওঁলোক অধিক অসুৰক্ষিত আৰু এওঁলোকক বিশেষ নিৰ্দেশনাৰ প্ৰয়োজন হয়।

এই ক্ষেত্ৰত আপোনাৰ চিআৰচিৰ বিভিন্ন দিশসমূহ সম্পৰ্কে কিছু পৰিচিতিৰ প্ৰয়োজন। তলত এই সম্পৰ্কে উল্লেখ কৰা হ'ল—

(1) 18 বছৰ বয়সলৈকে ল'ৰা আৰু ছোৱালীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। তেওঁলোক বিবাহিত হ'লে অথবা তেওঁলোকে সন্তান লাভ কৰিলেও তেওঁলোকৰ ক্ষেত্ৰত ইয়াৰ প্ৰযোজ্যতা অব্যাহত থাকিব।

(2) এই নিয়ম পত্ৰৰ ভিত্তি মূল নীতিসমূহ হৈছে 'শিশুৰ স্বাৰ্থৰ সুৰক্ষা', 'বৈষম্যহীনতা' আৰু 'শিশুৰ মতামতৰ প্ৰতি শ্ৰদ্ধা'।

(3) ইয়াত পৰিয়ালৰ গুৰুত্ব আৰু শিশুৰ সুস্থ বৃদ্ধি আৰু বিকাশৰ বাবে অনুকূল পৰিৱেশ সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰকাশ কৰা হৈছে।

চি আৰ চিৰ (CRC) দ্বাৰা মানৱ সমাজ সংক্ৰান্ত, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক এই চাৰিটা দিশৰ অধিকাৰৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। সেই কেইটা হৈছে -

- জীয়াই থকাৰ অধিকাৰ
- বিকাশৰ অধিকাৰ
- সুৰক্ষাৰ অধিকাৰ আৰু
- অংশগ্ৰহণৰ অধিকাৰ

এই অধিকাৰসমূহ পাৰস্পৰিক সম্পৰ্কযুক্ত। কিন্তু এই অধিকাৰসমূহৰ প্ৰকৃতি অনুযায়ী ইহঁতক দুটা শ্ৰেণীত ভাগ কৰা হৈছে। এই ভাগ দুটা হৈছে (1) তাৎক্ষণিক অধিকাৰ আৰু (2) ক্ৰমবিকাশশীল অধিকাৰ

(1) **তাৎক্ষণিক অধিকাৰ ঃ** তাৎক্ষণিক অধিকাৰ সমূহৰ (সমাজ আৰু ৰাজনৈতিক

টোকা

অধিকাৰ) অন্তৰ্গত দিশসমূহ হৈছে — (ক) বৈষম্য (খ) শাস্তি (গ) অপৰাধজনিত কেচত ভাল শুনানি (ঘ) শিশু অপৰাধজনিত ক্ষেত্ৰত পৃথক ন্যায় ব্যৱস্থা (ঙ) জীৱনৰ অধিকাৰ (চ) আৰু (ছ) পৰিয়ালৰ লগত পুনঃ সংযুক্তকৰণৰ অধিকাৰ।

**(2) বিকাশমূলক অধিকাৰ ঃ** ক্ৰমবিকাশশীল অধিকাৰসমূহৰ ক্ষেত্ৰত তাৎক্ষণিক সচেতনতা আৰু ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন। এই বিকাশশীল অধিকাৰসমূহত মূলতঃ স্বাস্থ্য, শিক্ষা আৰু আন অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ অন্তৰ্ভুক্ত। এই বিকাশশীল অধিকাৰসমূহৰ পৰিপ্ৰেক্ষিতত চি আৰ চিএ ৰাষ্ট্ৰসমূহক নিজস্ব সম্পদৰ উপলব্ধতাৰ আৰু প্ৰয়োজনবোধে আন্তৰ্জাতিক ক্ষেত্ৰত সহায় গ্ৰহণ কৰি বিভিন্ন ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ আগবঢ়াইছে।

গতিকে শিক্ষাৰ অধিকাৰ চি আৰ চিৰ মানৱ অধিকাৰৰ বিকাশমূলক অধিকাৰৰ অন্তৰ্ভুক্ত। এজন কৰ্মৰত শিক্ষক হিচাবে আপোনাৰ তত্বাৱধানত থকা শিশুসকলক আপুনি তলত উল্লেখ কৰা দিশসমূহৰ ক্ষেত্ৰত সুৰক্ষা নিশ্চিত কৰা একান্ত প্ৰয়োজন। এই দিশসমূহ হৈছে —

- শোষণ
- অপব্যৱহাৰ
- অমানৱীয় বা অসৌজন্যমূলক ব্যৱহাৰ
- অৱহেলা ইত্যাদি।

সকলো শিশুৰেই তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ভৌগোলিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত অপব্যৱহাৰ আৰু শোষণ-নিষ্পেষণৰ পৰা সুৰক্ষা লাভ কৰাটো অতি প্ৰয়োজন।

**কাৰ্যাৱলী ঃ 2**

- আপোনাৰ বিশেষ মনোযোগ আৰু সুৰক্ষাৰ প্ৰয়োজন হোৱা বিদ্যালয়ৰ বাহিৰৰ বিশেষ পাঁচটা বিশেষ শ্ৰেণীভুক্ত শিশুৰ এখন তালিকা প্ৰস্তুত কৰক। উদাহৰণ স্বৰূপে, এটা শ্ৰেণী হৈছে — পথৰ শিশুসকল।
- বিদ্যালয় আৰু বিদ্যালয়ৰ বাহিৰত শোষিত আৰু নিষ্পেষিত হোৱা শিশুসকলে সন্মুখীন হোৱা সমস্যাসমূহ চিনাক্ত কৰিবৰ বাবে আৰু ইয়াৰ সাম্ভাব্য নিৰাময়ৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে আপুনি নিজকে প্ৰস্তুত কৰিব লাগিব।

## 5.2.2. মানৱ অধিকাৰ হিচাবে শিক্ষাৰ অধিকাৰ ঃ

আপুনি ইতিমধ্যে জানিব পাৰিছে যে আন্তৰ্জাতিক আইন ব্যৱস্থা অনুযায়ী শিক্ষা হৈছে এক মানৱ অধিকাৰ। ভাৰতীয় সংবিধানতো তলত দিয়া ধৰণৰে শিশুৰ অধিকাৰ নিশ্চিত কৰা হৈছে।

1. 6 বছৰৰ পৰা 14 বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ অধিকাৰ প্ৰদান (অনুচ্ছেদ 21A)


টোকা

2. 14 বছৰ বয়সলৈকে বিপদজনক কামত শিশুক নিয়োগ কৰাৰ ক্ষেত্ৰত বাধা আৰোপৰ অধিকাৰ (অনুচ্ছেদ 24)

3. অৰ্থনৈতিক কাৰণত বলপূৰ্বকভাৱে শিশুৰ বয়স আৰু শক্তিৰ লগত খাপ নোখোৱা কামত শিশুক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বাধা দিয়াৰ অধিকাৰ (অনুচ্ছেদ 39 (e))

4. স্বাধীন আৰু মৰ্যাদাপূৰ্ণ পৰিস্থিতি আৰু বাল্যকালক নিষ্পেষিত আৰু নৈতিক আৰু পাৰ্থিৱ পৰিত্যক্ততাৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰি শিশুৰ সুস্থ বিকাশৰ বাবে সমান সুযোগ-সুবিধাৰ অধিকাৰ দিয়া (অনুচ্ছেদ 39 (f))।

মানৱ অধিকাৰসমূহক শক্তিশালী কৰাত আৰু শিশুৰ মৌলিক অধিকাৰসমূহ নিশ্চিতকৰণৰ ক্ষেত্ৰত সাৰ্বিক শিক্ষা প্ৰদানৰ যোগেদি বিদ্যালয়ে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। বিদ্যালয়ত প্ৰদান কৰাৰ শিক্ষাৰ মুখ্য উদ্দেশ্য হৈছে ব্যক্তিৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ। এই ক্ষেত্ৰত শিক্ষাৰ অধিকাৰ ভিত্তিক অভিগমনৰ অন্তৰ্নিহিত ধাৰণাত এখন আদৰ্শ বিদ্যালয়ত সকলোকে বিনামূলীয়া, বাধ্যতামূলক আৰু গুণগত শিক্ষা প্ৰদানৰ দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ লক্ষ্য হৈছে ৰাষ্ট্ৰৰ আৰু ইয়াৰ লগত জড়িত বিভিন্ন অনুষ্ঠান আৰু শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা প্ৰদান কৰা ৰাজহুৱা শিক্ষা ব্যৱস্থাক সবল কৰা। এই ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ অধিকাৰ সাব্যস্তকৰণৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এই ক্ষেত্ৰত ৰাষ্ট্ৰই বৈষম্য দুৰীকৰণ আৰু সকলোৰে বাবে গুণগত শিক্ষা নিশ্চিতকৰণৰ বাবে নিৰ্ধাৰিত নীতি আৰু ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইটো হৈছে প্ৰতিখন ৰাষ্ট্ৰই সন্মুখীন হোৱা এক প্ৰত্যাহ্বান।

## 5.2.3. শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন, 2009

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাবে আপুনি প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাসমূহৰ বিষয়ে জ্ঞাত হোৱাৰ প্ৰয়োজন। আপুনি এই ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে কোৰ্চ 1-3 ইতিমধ্যে জানিব পাৰিছে। তলত ইয়াৰ এক চমু পৰ্যালোচনা কৰা হ'ল —

স্বাধীনতা লাভৰ পাছত ভাৰত চৰকাৰে বিভিন্ন নীতি, আঁচনি আৰু উদ্যোগ গ্ৰহণ কৰি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ দায়িত্ব পালনৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত চৰকাৰী আৰু অনেক বেচৰকাৰী স্বেচ্ছাচাৰী সংস্থাই যৌথভাৱে প্ৰচেষ্টা চলাই আছে। স্বাধীনতা লাভৰ পাছত স্বাধীন ভাৰতত বিভিন্ন আয়োগ আৰু কমিটীয়ে জাতীয় উন্নয়ন আৰু নিৰাপত্তাৰ ব্যৱস্থা কৰাৰ বাবে শিক্ষা ব্যৱস্থাৰ পুনঃ সংগঠনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে।

ভাৰত চৰকাৰে 38 খন ৰাজ্যত আৰু আন কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত কাৰ্যকৰী হোৱাকৈ সাৰ্বজনীন প্ৰাথমিক শিক্ষা আঁচনিক বাস্তৱায়িত কৰিবৰ বাবে 2000 চনত সৰ্বশিক্ষা আঁচনি গ্ৰহণ কৰিছিল। এই সৰ্বশিক্ষা আঁচনিৰ উল্লেখনীয় দিশ হৈছে যে ইয়াৰ দ্বাৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত শিক্ষাৰ সম সুযোগ প্ৰদান কৰা আৰু এই কাৰ্যত



টোকা

তৃণমূল পৰ্যায়ৰ বিভিন্ন অনুষ্ঠানক জড়িত কৰা। 2002 চনত 86 নং সংবিধান সংশোধনৰ দ্বাৰা পূৰ্বৰ নিৰ্দেশনাত্মক নীতিৰ অন্তৰ্ভুক্ত শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ দ্বাৰা শিক্ষাৰ অধিকাৰক 6 বছৰৰ পৰা 14 বছৰ বয়সৰ সকলো শিশুৰ মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হয়।

অনুচ্ছেদ 21(এ)ত কোৱা হৈছে যে — 'শিক্ষাৰ অধিকাৰ— ৰাষ্ট্ৰই আইনগতভাৱে ছয় বছৰ বয়সৰ পৰা চৈধ্য বছৰ বয়সলৈ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।'

শিশুৰ শিক্ষাৰ অধিকাৰ আইন, 2009 হৈছে অনুচ্ছেদ 21(এ) অনুযায়ী গ্ৰহণ কৰা এক আইনী ব্যৱস্থা। ইয়াৰ অৰ্থ হৈছে প্ৰত্যেক শিশুৰেই সন্তোষজনক আৰু সমান গুণগত পূৰ্ণকালীন প্ৰাথমিক শিক্ষা গ্ৰহণৰ অধিকাৰ আছে। নিৰ্ধাৰিত বিশেষ চৰ্ত আৰু মান দণ্ডযুক্ত বিদ্যালয়ৰ দ্বাৰা আনুষ্ঠানিক শিক্ষা প্ৰদান কৰা হ'ব। ইয়াত 'বাধ্যতামূলক শিক্ষা'ৰ দ্বাৰা বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ লগতে বিদ্যালয়ত বাধ্যতামূলক নাম ভৰ্তি নিয়মীয়া উপস্থিত আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সমাপ্তি নিশ্চিতকৰণ চৰকাৰৰ বাধ্যতামূলক দায়িত্ব হিচাবে বিবেচিত কৰা হৈছে। সেইদৰেই 'বিনামূলীয়া শিক্ষা' ৰ অৰ্থ হৈছে বিদ্যালয়ত ভৰ্তি হোৱা সকলো শিশুৰে শিক্ষাৰ মাচুল আৰু শিক্ষাৰ আন খৰচ যেনে- ইউনিফৰ্ম, কিতাপ, শিকন সামগ্ৰী ইত্যাদি খৰচৰ পৰাও ৰেহাই দিয়া হ'ব, যাতে কোনো শিশুৰেই প্ৰাথমিক শিক্ষা আধাতে এৰিব লগা নহয়।

RTE আইন, 2009 আৰু অনুচ্ছেদ 21(এ)ৰ দ্বাৰা শিক্ষাৰ অধিকাৰকমৌলিক অধিকাৰ হিচাবে স্বীকৃত ব্যৱস্থা ভাৰতবৰ্ষত 2010 চনৰ 1 এপ্ৰিলৰ পৰা কাৰ্যকৰী কৰা হৈছে। এই ব্যৱস্থা অনুযায়ী 6 বছৰ বয়সৰ পৰা 14 বছৰ বয়স পৰ্যন্ত সকলো শিশুৰ বাবে মৌলিক অধিকাৰ হিচাপে শিক্ষাৰ অধিকাৰ নিশ্চিত কৰা হৈছে। এই আইনে আইনৰ গণ্ডীৰ মাজত শিশুক নিৰ্ধাৰিত গুণযুক্ত শিক্ষা লাভৰ অধিকাৰ প্ৰদান কৰিছে। এই শিক্ষা ব্যৱস্থা সাম্য আৰু বৈষম্যহীন নীতিৰ ওপৰত প্ৰতিষ্ঠিত। আন কথাত এই শিক্ষাই শংকা, চাপ আৰু ভয় বৰ্জিত এক শিক্ষা ব্যৱস্থাক বুজায়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

তলৰ নিৰ্ধাৰিত স্থানত তলৰ প্ৰশ্নটোৰ উত্তৰ লিখক ঃ

- শিক্ষাৰ অধিকাৰৰ বাহিৰে শিক্ষাৰ বাবে নিৰ্ধাৰিত দুটা সাংবিধানিক অধিকাৰৰ নাম লিখা।

## 5.3. সমগ্ৰ বিদ্যালয় অভিগমন

**কাৰ্যাৱলী ঃ 3**

আপোনাৰ ওচৰৰ এখন বিদ্যালয় ভ্ৰমণ কৰক। বিদ্যালয়ৰ বাহিৰত আৰু ভিতৰত উপলব্ধ ভৌতিক আৰু মানৱ সম্পদসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। উপলব্ধ সম্পদসমূহ আপোনাৰ বিদ্যালয়ৰ সম্পদৰ লগত তুলনা কৰক।



টোকা

5.3.2 অংশত RTE আইন 2009 অ সম্পৰ্কে কৰা আলোচনাৰ পৰা আমি জানিব পাৰিছোঁ যে এই আইন অনুযায়ীক 6 বছৰ বয়সৰ পৰা 14 বছৰ বয়স পৰ্যন্ত সকলো শিশুকে ঘৰৰ ওচৰৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰালৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাটো ৰাষ্ট্ৰৰ বাবে বাধ্যতামূলক। এই আইনৰ ব্যৱস্থাসমূহৰ যোগেদি শিক্ষাৰ সুযোগ, সমতা আৰু গুণগত মান এই দিশ কেইটাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সেইবাবে আমি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত বৰ্তমান পূৰ্বৰ অভিৰোচনৰ পৰিবৰ্তে শিশুৰ অধিকাৰৰ দিশটোৰেহে গুৰুত্ব লাভ কৰা দেখিবলৈ পাওঁ। এতিয়া আমি বিদ্যালয়ৰ ধাৰণা সম্পৰ্কে বৰ্ণনা কৰিম।

বিদ্যালয় হৈছে দলগতভাৱে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া পৰিচালনা কৰিবৰ বাবে নিৰ্ধাৰিত স্থান। ইয়াত নিয়োজিত ব্যক্তিসকল হৈছে শিক্ষক, কৰ্মচাৰীসকল আৰু শিক্ষাৰ্থীসকল। ইয়াত শিক্ষাৰ্থীসকলে শিক্ষকৰ তত্বাৱধানত শিক্ষা লাভ কৰে। পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন বয়স স্তৰৰ ভিত্তিত নিৰ্ধাৰিত শ্ৰেণীভুক্ত বিদ্যালয়সমূহ হৈছে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়। ইয়াৰ প্ৰথম প্ৰকাৰৰ বিদ্যালয়সমূহত সৰু ল'ৰা-ছোৱালী সমূহ আৰু দ্বিতীয় প্ৰকাৰৰ বিদ্যালয়ত কৈশোৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল অন্তৰ্ভুক্ত।

বিদ্যালয়ত অধ্যয়নৰ বিষয়সমূহ চৰকাৰ (কেন্দ্ৰীয়/ৰাজ্যিক) বা বিশ্ববিদ্যালয় বা আইনৰ দ্বাৰা স্বীকৃত বোৰ্ড, অথবা আন স্বীকৃতিপ্ৰাপ্ত সংস্থাৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত। ইয়াত শ্ৰেণী শিক্ষাদান নিয়মীয়া ভাৱে পৰিচালিত হয় আৰু ইয়াত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলে ৰাজহুৱা পৰীক্ষাত অৱতীৰ্ণ হয়। (পজাংকাৰ আৰু পজাংকাৰ, 2010)। মুঠতে সাধাৰণ অৰ্থত বিদ্যালয় হৈছে এনে এটুকুৰা ঠাই য'ত —

- উপযুক্ত শিক্ষক থাকে
- শিক্ষাৰ্থীসকলে শিকন কাৰ্যত ব্যস্ত থাকে।
- আহল-বহল বিদ্যালয় গৃহ আৰু মুকলি ঠাই থাকে।
- শ্ৰেণী কোঠা, আচবাব, খেলপথাৰ থাকে, প্ৰস্ৰাৱগাৰ খোৱাপানীৰ ব্যৱস্থা আৰু আন অনেক সম্পদ থাকে।
- শিশুৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ এক অনুকূল পৰিবেশ প্ৰদান কৰা হয়।

মুঠতে বৰ্তমান সমাজত এখন বিদ্যালয়ে ভিন্নমুখী ভূমিকা গ্ৰহণ কৰে।

## 5.3.2. সুযোগ, সমতা আৰু মানদণ্ড

এইখিনিতে আপুনি এই কথা জনা দৰকাৰ যে RTE আইন, 2009 অনুযায়ী প্ৰাথমিক বিদ্যালয়ৰ শিশুসকলে বিদ্যালয়ত কেনেদৰে সা-সুবিধা আৰু সম্পদ লাভৰ অধিকাৰ লাভ কৰিছে? সৰ্বশিক্ষা অভিযানৰ যোগেদি নিৰ্ধাৰিত সময়ত এই ক্ষেত্ৰত অনেক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। আনহাতেদি শিশুৰ শিক্ষাৰ অধিকাৰ আইন, 2009ত বিদ্যালয়ৰ সামগ্ৰিক দিশত মনোনিৱেশ কৰি সুযোগ, সমতা আৰু মানদণ্ডৰ উন্নতিত গুৰুত্ব প্ৰদান কৰা হৈছে।

**সুযোগ ঃ** আমি প্ৰথমে বিদ্যালয়ৰ সুযোগ লাভৰ দিশটোৰ বিষয়ে আলোচনা কৰিম।



টোকা

**কাৰ্যাৱলী ঃ 4 ঃ**

তলত দিয়া উদাহৰণসমূহ পঢ়ক আৰু চিত্ৰখন পৰীক্ষা কৰক ঃ

- দূৰৰ বিদ্যালয় (PROBE, 1999)

এখন পাহাৰীয়া অঞ্চলৰ গাঁৱৰ বিদ্যালয়খন আন এটা টিলাত আছিল। গাঁৱৰ সৰু ল'ৰা-ছোৱালীবোৰে আনটো টিলাৰ বিদ্যালয়লৈ যোৱাত অসুবিধা হৈছিল। বৰষুণৰ দিনত ৰাস্তাটো পানীৰে ভৰি পৰিছিল আৰু ইয়াৰ ফলত বিদ্যালয়খন কেইবা সপ্তাহ বা মাহ ধৰি বন্ধ হৈ আছিল।



- আন এখন ঠাইত কাষৰ গাঁৱত চৰকাৰী বিদ্যালয়খনলৈ ওচৰৰ গাঁৱৰ ল'ৰা-ছোৱালীবিলাক এখন বজাৰৰ মাজেদি অহা যোৱা কৰিব লাগিছিল। গতিকে বিদ্যালয়লৈ ল'ৰা-ছোৱালী অহাৰ ক্ষেত্ৰত দূৰত্বৰ লগতে আন এটা সমস্যা আছিল সুৰক্ষাৰ অভাৱ।
- সেইদৰেই আন এখন গাঁৱৰ বিদ্যালয়ত ওচৰৰ কেবাখনো গাঁৱৰ ল'ৰা-ছোৱালীয়ে নামভৰ্তি কৰিছিল। তেওঁলোক 2-3 কিলোমিটাৰ ৰাস্তা অতিক্ৰম কৰি বিদ্যালয়লৈ আহিব লাগিছিল।
- অসমৰ সীমান্তৱৰ্তী এখন একেবাৰে ভিতৰুৱা গাঁৱত ল'ৰা-ছোৱালীসমূহে বিদ্যালয়লৈ 6 কিলোমিটাৰ ৰাস্তা খোজকাঢ়ি আহিব লাগে।

http://www.thehindu.com/education/article2134454.ece

নগৰীয়া/গাঁৱলীয়া/জনজাতীয়/পাহাৰীয়া আদি অঞ্চলৰ শিশুসকলে যাতায়াতৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ সুযোগ লাভৰ সমস্যাসমূহ আলোচনা কৰা। এই ক্ষেত্ৰত শিক্ষক হিচাপে বিভিন্ন অঞ্চলত কাম কৰি লাভ কৰা নিজৰ অভিজ্ঞতাৰ বৰ্ণনা কৰা।

বাসস্থানৰ পৰা বিদ্যালয়ৰ দূৰত্ব গাঁৱলীয়া আৰু জনজাতীয় বসতি প্ৰধান অঞ্চলৰ এক গুৰুত্বপূৰ্ণ সমস্যা। বিদ্যালয়ৰ শিক্ষাৰ সুযোগ লাভৰ বাবে বিদ্যালয়খন শিক্ষাৰ্থীৰ বাবে সুবিধাজনক দূৰত্বত অৱস্থিত হ'ব লাগে। ইয়াৰ কাৰণ হৈছে বিদ্যালয়খন বাসস্থানৰ পৰা কম দূৰত্বত অৱস্থিত নহ'লে শিক্ষাৰ্থীসকলে বিদ্যালয়ত আনুষ্ঠানিকভাৱে নামভৰ্তি কৰিলেও যাতায়াতৰ অসুবিধাৰ বাবে আধাৰতে বিদ্যালয় ত্যাগ কৰিব লগা হয়। শিক্ষাৰ অধিকাৰ আইনতো চুবুৰীয়া এলেকাত নিৰ্ধাৰিত দূৰত্বত বিদ্যালয়ৰ সুযোগ প্ৰদানত গুৰুত্ব প্ৰদান কৰা হৈছে। এই আইনে প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ



টোকা

চৰকাৰক একো একোটা অঞ্চলত বিদ্যালয়ৰ উপলব্ধতাৰ এখন স্পষ্ট ছবি প্ৰস্তুত কৰা বাধ্যতামূলক কৰিছে। ইয়াৰ দ্বাৰা বিদ্যালয় মানচিত্ৰ অনুশীলনৰ ব্যৱস্থাত গুৰুত্ব প্ৰদান কৰা হৈছে। এখন বিদ্যালয়ৰ দ্বাৰা কেইবাটাও অঞ্চলৰ শিক্ষাৰ্থীক শিক্ষাৰ সুযোগ প্ৰদান কৰিব পৰা যায়। ইয়াৰ বিপৰীতে ক'বলৈ গ'লে এটা অঞ্চল একাধিক বিদ্যালয়ৰ লগত জড়িত হ'ব পাৰে। বিদ্যালয় মানচিত্ৰ প্ৰস্তুত কাৰ্যই কোন কোন ঠাইত বিদ্যালয়ৰ অভাৱ তাক চিনাক্ত কৰাত আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত কোন কোন ঠাইত নতুন বিদ্যালয় স্থাপনৰ প্ৰয়োজন এই কথা নিৰ্দেশ কৰাত সহায় কৰিব পাৰিব।

বিদ্যালয়ৰ ভৌতিক সা-সুবিধাৰ বা সুযোগৰ লগতে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীন কৰণত সামাজিক সুযোগো এক উল্লেখনীয় দিশ। ভাৰতবৰ্ষৰ ভিন্নমুখী সংস্কৃতি, ভাষা, জাতিগত বৈশিষ্ট্য ভৌগোলিক অৱস্থিতি ইত্যাদি অনেক দিশে শিশুৰ শিক্ষাৰ সুযোগ লাভৰ দিশটোক প্ৰভাৱিত কৰে। উদাহৰণ স্বৰূপে যদি এখন গাঁৱত উচ্চ প্ৰাথমিক বিদ্যালয় নাথাকে তেন্তে গাঁৱৰ ছোৱালীসমূহে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰাটো স্বাভাৱিক। কাৰণ তেওঁলোকৰ পিতৃ-মাতৃসকলে পঞ্চম শ্ৰেণীৰ পিছত তেওঁলোকৰ ছোৱালীসমূহক গাঁৱৰ বাহিৰত পঢ়িবলৈ পঠাবলৈ নিবিচাৰিব। এই ক্ষেত্ৰত এজন শিক্ষক হিচাবে এই ৰক্ষণশীল আৰু সাংস্কৃতিক মনোবৃত্তিসমূহৰ প্ৰতি আপোনাৰ সচেতনতাৰ প্ৰয়োজন আপুনি এই সামাজিক আৰু বিভেদমূলক মনোবৃত্তিবোৰ দূৰ কৰিবৰ বাবে যত্ন কৰিব লাগিব। সেইদৰেই পাঠ্যক্ৰম আৰু পাঠ্যপুথিসমূহো শিশুৰ বিদ্যালয় জীৱনৰ বাহিৰৰ অভিজ্ঞতাৰ লগত সম্পৰ্কিত কৰিব লাগে। বিদ্যালয় পৰিৱেশত লাভ কৰা অভিজ্ঞতাই শিশুক নিজৰ ভাষা, সমাজ আৰু সমাজ জীৱন সম্পৰ্কে গৌৰৱ কৰিবলৈ শিকাব লাগে আৰু ইয়াৰ লগতে বিশ্বৰ বৃহত্তৰ সংস্কৃতিৰ লগতো পৰিচয় কৰিব লাগে।

**সমতা ঃ**

**কাৰ্যাৱলী ঃ 5**

- আপোনাৰ শ্ৰেণীত তলৰ শ্ৰেণীসমূহৰ অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামৰ এখন তালিকা প্ৰস্তুত কৰক যেনে ঃ। অনুসূচিত জাতি, অনুসূচিত জনজাতি, দৈহিকভাৱে বাধাগ্ৰস্থ, সংখ্যালঘু, প্ৰব্ৰজনকাৰী আৰু আন শ্ৰেণীভুক্ত।
- শ্ৰেণীৰ উপস্থিতিৰ বহীৰ পৰা এমাহত বিভিন্ন শ্ৰেণীৰ অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলৰ শ্ৰেণীত উপস্থিতিৰ হাৰ নিৰ্ণয় কৰক।
- তেওঁলোকৰ উপস্থিতিৰ হাৰ কেনে? আৰু বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰৰ তুলনা কৰক।
- এই ক্ষেত্ৰত ল'ৰা আৰু ছোৱালীৰ উপস্থিতিৰ হাৰৰ পাৰ্থক্য আছে নেকি?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত নিম্ন উপস্থিতিৰ হাৰৰ কাৰণ সম্পৰ্কে আলোচনা কৰক।
- তেওঁলোকৰ লগত তেওঁলোকে বিদ্যালয়ৰ উপস্থিতিৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহৰ সম্পৰ্কে আলোচনা কৰক।



টোকা

সৰ্বশিক্ষা অভিযানৰ এটা মুখ্য উদ্দেশ্য হৈছে শিক্ষাৰ ক্ষেত্ৰত লিংগভিত্তি আৰু সামাজিক শ্ৰেণীভিত্তিক বৈষম্য দূৰ কৰি সকলো শিশুকে সমানে শিক্ষাৰ ক্ষেত্ৰত সামৰি লোৱা। অধিকাৰ আৰু প্ৰাপ্যৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত আৰ টি ই আইনত শিক্ষাৰ ক্ষেত্ৰত বহিৰ্ভুক্তিৰ সমস্যাটো এক সাৰ্বিক দৃষ্টিভংগীৰে বিচাৰ কৰা হৈছে। এজন শিক্ষক হিচাপে বিদ্যালয়ত শিশুৰ উপস্থিতি আৰু অংশগ্ৰহণত বাধা প্ৰদানকাৰী বিভিন্ন কাৰকসমূহৰ বিষয়ে আপুনি জ্ঞাত হোৱাটো একান্ত বাঞ্চনীয়।

উদাহৰণ স্বৰূপে, ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত প্ৰৱেশ কৰাৰ আগতেই এই বহিৰ্ভুতকৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব পাৰে। পিতৃ-মাতৃসকলে বিদ্যালয়লৈ যোৱাৰ বাট-পথত সমস্যাৰ বা নিৰ্যাতনৰ সন্মুখীন হোৱাৰ ভয়ত বা শ্ৰেণীত অপদস্থ হোৱাৰ আশংকাত পিতৃ-মাতৃয়ে তেওঁলোকৰ ছোৱালী শিশুক বিদ্যালয়লৈ পঠাবলৈ আগ্ৰহী নহ'ব পাৰে। পিছপৰা আৰু বঞ্চিত সকলো শ্ৰেণীৰ শিশুসকলৰ মাজত লিংগ বৈষম্য বিশেষভাৱে প্ৰকট। সেইবাবে সৰ্বশিক্ষা অভিযানৰ এক মুখ্য দিশ আছিল ছোৱালীসকলক শিক্ষাত অন্তৰ্ভুক্ত কৰা। আপুনি নিশ্চয় সৰ্বশিক্ষা অভিযানৰ NPEGEL (National Programme for Education of Girls at Elemeatary level), KGBY (Kasturba Gandhi Balika Vidyalaya) আৰু মহিলা সমাক্ষা আঁচনিৰ লগত পৰিচিত। বৰ্তমান বিদ্যালয়ত ছোৱালীৰ নামভৰ্তিৰ হাৰ বৃদ্ধি হৈছে। কিন্তু এতিয়াও পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত বুজন পৰিমাণৰ ছোৱালী শিক্ষাৰ সুযোগৰ ক্ষেত্ৰত সমতা এক বিচাৰ্য বিষয় আৰু ইয়াৰ সমাধান এক প্ৰত্যাহ্বানমূলক বিষয়। শিক্ষাৰ সমতাৰ দিশটো ইয়াৰ গুণগত মানৰ লগত স্বাভাৱিক ভাবেই জড়িত।

আৰ টি ই আইন অনুযায়ী শিক্ষাৰ ক্ষেত্ৰত সমতা স্থাপন কৰিবলৈ যাওঁতে ইয়াৰ গুণগত দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰাটো বাঞ্চনীয়। শিক্ষাৰ গুণগত মানৰ ক্ষেত্ৰত পাঠ্যক্ৰম, পাঠ্যপুথি, শিক্ষণ-শিকন সামগ্ৰী, শ্ৰেণীকক্ষৰ ব্যৱহাৰ, আন্তঃগাঁথনি আৰু শিক্ষক প্ৰশিক্ষণ ইত্যাদি দিশসমূহ বিশেষভাৱে বিচাৰ্য বিষয়। ইয়াৰ উপৰিও এই ক্ষেত্ৰত সহায়কাৰী আন কিছুমান ব্যৱস্থা হৈছে—

- যাতায়াতৰ সু-ব্যৱস্থা কৰা
- বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীক সুৰক্ষিতভাৱে অনা নিয়া কৰা
- ৃপযুক্ত পৰামৰ্শ দান কৰা
- শিক্ষাৰ্থীৰ ঘৰুৱা আৰু বিদ্যালয় কামৰ বোজাৰ মাজত ভাৰসাম্য স্থাপন কৰা।
- সমস্যাৰ প্ৰকৃতি অনুযায়ী শৈক্ষিক সাহায্য প্ৰদান কৰা।
- পিতৃ-মাতৃৰ পৰা/সামাজিক সাহায্য গ্ৰহণ।

এজন শিক্ষক হিচাপে আপুনি শিক্ষাৰ্থীসকলৰ প্ৰতি কোনো বৰ্জনমূলক বা বহিষ্কাৰমূলক ব্যৱহাৰ প্ৰদৰ্শন কৰিব নালাগে। এই ক্ষেত্ৰত শ্ৰেণীত অন্তৰ্ভুক্তিমূলক ব্যৱস্থাক বাধাগ্ৰস্ত কৰা কিছুমান কাৰক হৈছে—

- আসন সজ্জিতকৰণ ঃ পিছপৰা শ্ৰেণীৰ শিশুসকলক পিছৰ বেঞ্চত বহুৱা।



টোকা

- বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান আৰু কাৰ্যাৱলীত অংশগ্ৰহণৰ পৰা তেওঁলোকক বঞ্চিত কৰা।
- তেওঁলোকৰ লগত ভালদৰে কথা নপতা/গৃহকাৰ্য বা শ্ৰেণীকাৰ্য সঠিকভাৱে পৰীক্ষা নকৰা।
- বিদ্যালয়ৰ পানী, কেণ্টিন আৰু আন সা-সুবিধাসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা।
- বিদ্যালয় চৌহদ প্ৰস্ৰাৱগাৰ ইত্যাদি পৰিষ্কাৰ কৰাৰ দৰে নীচ কামবোৰ কৰিবলৈ দিয়া ইত্যাদি।

যদি আপোনাৰ বিদ্যালয়ত এই বিভেদমূলক ব্যৱস্থাবোৰ আপুনি প্ৰত্যক্ষ কৰে তেন্তে আপুনি বিভিন্ন অন্তৰ্ভুক্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি এই ব্যৱস্থাসমূহ আঁতৰাবৰ বাবে তৎপৰ হ'ব লাগে। এনেদৰেই আপুনি প্ৰচলিত সামাজিক শ্ৰেণীগত বৈষম্য দূৰ কৰাত সহায় কৰিব পাৰিব। জনজাতীয় অঞ্চলৰ শিশুসকলে তেওঁলোকৰ নিজস্ব পৰিৱেশ বা পটভূমিৰ পৰিপ্ৰেক্ষিতত কিছুমান বিশেষ সমস্যাৰ সন্মুখীন হয়। এই জনজাতীয় লোকসকলে সাধাৰণতে পাহাৰীয়া বনাঞ্চলৰ ভিতৰুৱা অঞ্চলত বসবাস কৰে। এই জনজাতীয় শিশুসকলক শিক্ষাত অন্তৰ্ভুক্তকৰণৰ ক্ষেত্ৰত শিক্ষাদানৰ মাধ্যম হিচাবে ভাষা প্ৰধান অন্তৰায়।

**আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক ঃ 3**

**উত্তৰ প্ৰদানৰ বাবে নিৰ্ধাৰিত খালী ঠাইত উত্তৰ লিখক ঃ**

1. জনজাতীয় শিশুসকলক শিক্ষাত অন্তৰ্ভুক্তিকৰণত সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়াওক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

সেইদৰেই মুছলমান, শ্ৰমিক, নগৰীয়া অঞ্চলৰ বঞ্চিত, প্ৰব্ৰজনকাৰী ইত্যাদি আন অনেক শ্ৰেণীভুক্ত শিশুসকলো অনেক ক্ষেত্ৰত বিচ্ছিন্নতামূলক আচৰণৰ বলি হোৱা দেখা যায়। সেইদৰেই বিশেষ চাহিদাযুক্ত শিশু সকলো শিক্ষাৰ সমতা স্থাপনৰ সমস্যাৰ ক্ষেত্ৰত বিশেষভাৱে এক বিচাৰ্য শ্ৰেণীভুক্ত শিশু। আৰ টি ই আইনত গুণগত অন্তৰ্ভুক্তি শিক্ষাৰ ক্ষেত্ৰত এই শিশুসকলৰ বাবে উপযুক্ত শিক্ষাৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

**গুণগত মান ঃ**

আপুনি শিক্ষাদান কৰি থকাৰ সময়ৰ আপোনাৰ শ্ৰেণী কোঠাটোলৈ মনত পেলাওক। তলৰ দিশসমূহৰ পৰিপ্ৰেক্ষিতত আপোনাৰ শ্ৰেণীকক্ষৰ বৈশিষ্ট্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰক—

- শ্ৰেণীকক্ষৰ স্থানৰ ব্যৱহাৰ।

টোকা



- ভৌতিক আন্তঃগাঁথনি— চকী, টেবুল, আলমাৰী/ৰেক আৰু ইয়াৰ সজ্জিতকৰণ, ব্লেক বোৰ্ড, বুলেটিন বোৰ্ড আৰু অন্যান্য।
- শিক্ষণ-শিকন কালত শিশুসকলে সম্পাদন কৰা কাৰ্যাৱলী
- শিক্ষাৰ্থীসকলৰ লগত আপোনাৰ আন্তঃক্ৰিয়া আৰু তেওঁলোকৰ অংশগ্ৰহণ।
- আপোনাৰ শ্ৰেণী সম্পৰ্কে আপোনাৰ যি কল্পনা ইয়াৰ লগত আপোনাৰ প্ৰকৃত শ্ৰেণীটোক আপুনি কিদৰে তুলনা কৰিব।

এই কাৰ্যাৱলীৰ যোগেদি আপুনি শিক্ষাৰ ক্ষেত্ৰত সুযোগ, সমতা আৰু গুণগত মানৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ বিষয়ে জ্ঞাত হ'ব। আপুনি এই কথা উপলব্ধি কৰা গুৰুত্বপূৰ্ণ যে 'নিম্ন গুণগত মানে সমতাৰ ওপৰত প্ৰভাৱ পেলায় আৰু সমতাৰ অভাৱে শিক্ষাৰ গুণগত মান নিম্নগামী কৰাত অৰিহণা যোগায়। গতিকে আৰ টি ই আইন কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত শিক্ষাৰ গুণগত দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। এই ক্ষেত্ৰত গুণগত শিক্ষাৰ নিৰ্ধাৰক হিচাবে পাঠ্যক্ৰম, পাঠ্যপুথি, শিক্ষণ-শিকন সামগ্ৰী, আন্তঃগাঁথনি, শ্ৰেণী কোঠাৰ স্থানৰ ব্যৱহাৰ, মূল্যায়ন আৰু শিক্ষক প্ৰশিক্ষণ ইত্যাদি আন্তঃসম্পৰ্কযুক্ত দিশসমূহৰ ওপৰত সাৰ্বিকভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে।

RTE Act 2009ত পাঠ্যক্ৰম আৰু মূল্যায়ন ব্যৱস্থাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত বিশেষভাৱে ৪টা কাৰকৰ বিষয়ে উল্লেখ কৰা হৈছে। এই ৪ টা কাৰক শিক্ষাৰ শিশু কেন্দ্ৰিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই কাৰকসমূহ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই কাৰকসমূহ NPE 1986-92 আৰু NCF-2005 ৰো ভিত্তি হিচাবে বিবেচনা কৰিব পৰা যায়।

প্ৰাথমিক শিক্ষাৰ গুণগত মানৰ মূল উপাদান হিচাবে এই ৪টা কাৰকৰ বিষয়ে আপুনি জ্ঞাত হোৱাটো নিতান্ত প্ৰয়োজনীয়। তলত এই কাৰক কেইটা উল্লেখ কৰা হ'ল —

- সাংবিধানিক মূল্যবোধৰ লগত সামঞ্জস্যতা/তুল্যতা
- শিশুৰ সৰ্বাংগীন বিকাশ
- শিশুৰ জ্ঞান, সম্ভাৱনা আৰু প্ৰতিভাসমূহ গঢ় দি তোলা
- দৈহিক আৰু মানসিক ক্ষমতাসমূহৰ পূৰ্ণ বিকাশ
- ক্ৰিয়া, উদ্ভাৱন আৰু অন্বেষণৰ দ্বাৰা শিশুৰ অনুকূল আৰু শিশুকেন্দ্ৰিক পৰিৱেশত শিকন কাৰ্য সম্পাদন কৰা
- যথা সম্ভৱ শিশুৰ মাতৃভাষা শিক্ষাদানৰ মাধ্যম হ'ব লাগে
- শিশুক ভয়, মানসিক আঘাত আৰু দুঃচিন্তা মুক্ত কৰা আৰু তেওঁলোকক নিজৰ দৃষ্টিভংগী মুক্তভাৱে প্ৰকাশ কৰাত সহায় কৰা।
- শিশুৰ জ্ঞানৰ সামগ্ৰিক আৰু অবিৰত মূল্যায়ন আৰু ইয়াৰ প্ৰয়োগৰ সক্ষমতা প্ৰদান কৰা।

ওপৰৰ আলোচনাৰ পৰা আমি এই কথা জানিব পাৰিছো যে কেৱল মাত্ৰ বিদ্যালয়



টোকা

উপলব্ধতাই সম মানদণ্ড যুক্ত শিক্ষাৰ সম সুযোগ নিশ্চিত কৰিব নোৱাৰে। সুযোগৰ অৰ্থ হৈছে শিক্ষা ব্যৱস্থাত শিশুসকলৰ মুক্ত, আনন্দময় আৰু পূৰ্ণ অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰা। এইক্ষেত্ৰত গুণগত মান আৰু সমান সুযোগৰ একত্ৰীকৰণে সাৰ্বজনীনভাৱে শিক্ষাৰ সুযোগ নিশ্চিত কৰিব লাগে।

প্ৰাথমিক শিক্ষাৰ সুযোগ, সমতা আৰু গুণগত মান নিৰ্ধাৰণৰ বাবে আৰ টি ই আইন 2009ত বিদ্যালয়ৰ বিভিন্ন সম্পদ সম্পৰ্কীয় কিছুমান দিশতো গুৰুত্ব প্ৰদান কৰা হৈছে। এই বিষয়ে আমি পৰৱৰ্তী অংশত আলোচনা কৰিম।

## 5.3.3. বিদ্যালয়ৰ সম্পদ - ভৌতিক সা-সুবিধা ঃ

**কাৰ্যাৱলী- 7 ঃ**

আপোনাৰ বিদ্যালয় ৰেকৰ্ডৰ পৰা তলৰ তথ্যসমূহ সংগ্ৰহ কৰি এটা ৰিপ'ৰ্ট প্ৰস্তুত কৰক।

1. বিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তিৰ মুঠ সংখ্যা
2. নিযুক্তি প্ৰাপ্ত শিক্ষকৰ সংখ্যা
3. বিদ্যালয়ৰ শিক্ষক ছাত্ৰৰ অনুপাত নিৰ্ণয় কৰক
4. স্থায়ী শিক্ষক ঠিকাভিত্তিক, শিক্ষক, বিকল্প শিক্ষক বা শিক্ষাদানৰ বাবে নিয়োজিত আন ব্যক্তিৰ সংখ্যা।
5. আপোনাৰ বিদ্যালয়ত কিমান শ্ৰেণীকক্ষ আৰু খেলপথাৰ আছে?
6. আপোনাৰ বিদ্যালয়ত তলৰ সা-সুবিধাসমূহ আছে নে?

- বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা।
- ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক - প্ৰস্ৰাৱগাৰ
- শিশুৰ বাবে চাইকেল ৰখা ঠাই
- বিদ্যালয়ৰ চাৰিসীমাৰ দেৱাল বা ফেন্সিং।
- অক্ষমতাযুক্ত শিশুসকলৰ বাবে বিশেষ বহাৰ ব্যৱস্থা বা ৰুম ইত্যাদি।

ওপৰৰ কাৰ্যাৱলীৰ পৰা আপুনি আপোনাৰ বিদ্যালয়ৰ ভৌতিক আন্তঃগাঁথনিৰ বিষয়ে বুজ ল'ব পাৰিব। আপুনি নিশ্চয় এই কথাত একমত যে আজিও অনেক চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনি সন্তোষজনক নহয়।

## 5.3.3.1 শিশুৰ নিৰাপদভাৱে বহাৰ সা-সুবিধা ঃ

RTE আইন 2009ৰ মতে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ গুণগত মান শিশুৰ শিক্ষাত প্ৰৱেশৰ এক গুৰুত্বপূৰ্ণ নিৰ্ধাৰক। শিক্ষাৰ অধিকাৰ আইনত বিদ্যালয়ত এক আকৰ্ষণীয়, অভিৰোচনমূলক আৰু সুস্থ পৰিৱেশ সৃষ্টি কৰি বিদ্যালয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিবলৈ, বিদ্যালয়ত নামভৰ্তি কৰিবলৈ আৰু বিদ্যালয়ত শিক্ষাৰ্থীসকল ধৰি ৰাখিবৰ

টোকা

বাবে শিক্ষাৰ অধিকাৰ আইনত গুৰুত্ব দিয়া হৈছিল। সেইবাবে RTE আইনত বিদ্যালয়ৰ আন্তঃগাঁথনিৰ সকলো দিশ সম্পৰ্কে কিছুমান চৰ্ত আৰু মানদণ্ড নিৰ্দাৰণ কৰিছে। সেই চৰ্তসমূহ হৈছে—

- প্ৰতি বিদ্যালয়তে বিভিন্ন বিশেষ বৈশিষ্ট্যযুক্ত এক সুসংগঠিত বিদ্যালয় গৃহৰ প্ৰয়োজন। বিদ্যালয়ত প্ৰয়োজনীয় কোঠা, প্ৰস্ৰাৱগাৰ/পায়খানা, খোৱাপানীৰ সা-সুবিধা, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা, ৰান্ধনিশাল, চৌহদৰ বেৰা, খেলপথাৰ খেলা-ধূলাৰ সামগ্ৰী, শিক্ষণ-শিকন সামগ্ৰী, গ্ৰন্থাগাৰ, লেৱৰেটৰী ইত্যাদিৰ ব্যৱস্থা থকা দৰকাৰ।
- বাধাহীন প্ৰৱেশ — ইয়াৰ অৰ্থ হৈছে বিদ্যালয় গৃহৰ নক্সা এনে হ'ব লাগে যাতে সাধাৰণ আৰু প্ৰতিবন্ধী সকলো শিশুৱে অতি সহজে ঘূৰাফুৰা কৰিব পাৰে আৰু বিদ্যালয়ৰ প্ৰৱেশ পথৰ পৰাই, শ্ৰেণীকক্ষ, খেলপথাৰ প্ৰস্ৰাৱগাৰ/পায়খানা, লাইব্ৰেৰী, লেবৰেটৰী ইত্যাদি সকলো ব্যৱস্থাসমূহ শিক্ষাৰ্থীসকলে সহজে ব্যৱহাৰ কৰিব পাৰে। কোনো বিদ্যালয়ত এই ব্যৱস্থাসমূহ নাথাকিলে শিক্ষা অধিকাৰ আইনৰ চৰ্ত অনুযায়ী পুৰণা বিদ্যালয়ৰ প্ৰয়োজনীয় পৰিবৰ্তন কৰি ল'ব লাগিব।
- বিদ্যালয়ত সাম্ভাব্য বিভিন্ন বিপদ আৰু দুৰ্যোগৰ প্ৰতিৰোধ কৰিবৰ বাবে বিভিন্ন নিৰাপত্তামূলক ব্যৱস্থা থাকিব লাগে। এই দুৰ্যোগসমূহ ভূমিকম্প, বানপানী প্ৰভৃতিৰ প্ৰাকৃতিক হ'ব পাৰে অথবা জুই লগা বা নিৰ্মাণ সংক্ৰান্ত মানৱ সৃষ্টও হ'ব পাৰে। বিদ্যালয় গৃহ নিৰ্মাণ কৰোতেই এই নিৰাপত্তামূলক দিশসমূহৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে।

## 5.3.3.2 মধ্যাহ্ন ভোজনৰ সুবিধা ঃ

আপোনালোকে নিশ্চয় জানে যে মধ্যাহ্ন ভোজন আঁচনি বিশ্বৰ ভিতৰতে এক বৃহৎ বিদ্যালয়ৰ পুষ্টি আঁচনি। এই আঁচনিয়ে সমগ্ৰ দেশৰ 12.65 লাখ বিদ্যালয় আৰু EGS কেন্দ্ৰৰ 12 কোটি শিক্ষাৰ্থীক সামৰি লৈছে। এই আঁচনি আপোনাৰ বিদ্যালয়তো নিশ্চয় কাৰ্যকৰী কৰা হৈছে।

**কাৰ্যাৱলী- 4**

- আপোনাৰ বিদ্যালয় ৰেকৰ্ডৰ ভিত্তিত বিদ্যালয়ত উপস্থিতি আৰু নামভৰ্তিকৰণত MDM আঁচনিৰ কাৰ্যকাৰিতা বিচাৰ কৰা।
- মধ্যাহ্ন ভোজন আঁচনিৰ দ্বাৰা আপোনাৰ বিদ্যালয়ত সামাজিক অসমতাৰ পাৰ্থক্য দূৰ কৰিবৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়াওক।

এইখিনিতে এতিয়া আমি মধ্যাহ্ন ভোজন আঁচনিৰ জন্ম বা সূচনা সম্পৰ্কে চমুকৈ আলোচনা কৰাৰ প্ৰয়োজন। সমাজৰ বঞ্চিত শ্ৰেণীৰ শিশুসকলৰ বাবে মাদ্ৰাজ মিউনিচিপালিটী কৰ্প'ৰেচনত 1925 চনত এই আঁচনি পোন প্ৰথমে আৰম্ভ কৰা হৈছিল। এই আঁচনিয়ে যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছিল আৰু 1990-91 চনত এই আঁচনি আন



টোকা

12 খন ৰাজ্যত ৰূপায়ণ কৰা হৈছিল।

এইদৰেই 1995 চনৰ পৰা এই আঁচনি সমগ্র দেশৰে 2408টা ব্লক সামৰি কেন্দ্ৰীয় আঁচনি হিচাবে আৰম্ভ কৰা হয়। বিদ্যালয়ৰ শিশুৰ বাবে ভাৰসাম্যপূৰ্ণ আৰু পুষ্টিকৰ খাদ্য আঁচনি হিচাবে তেতিয়াৰ পৰা এই আঁচনি চলি আছে। 2010-11 চনত সমগ্র দেশৰ 12.63 লাখ বিদ্যালয়ৰ অন্তৰ্ভুক্ত 11.36 কোটি প্ৰাথমিক বিদ্যালয়ৰ শিশুক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

বিদ্যালয়ৰ এই খাদ্য আঁচনিয়ে বিদ্যালয়ত নামভৰ্তি আৰু উপস্থিতিৰ হাৰ বৃদ্ধিত সহায় কৰে। এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে পিতৃ-মাতৃসকলকো শিশুক বিদ্যালয়লৈ পঠাবলৈ উৎসাহিত কৰে। বিদ্যালয়ৰ প্ৰতি আগ্ৰহহীন শিশুসকলৰ বাবে এই MDM আঁচনি এক আকৰ্ষণৰ বিষয়।

বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনিৰ আন এক উল্লেখনীয় দিশ হৈছে ইয়াৰ পুষ্টি সংক্ৰান্তীয় প্ৰভাৱ। উচ্চ পুষ্টিকাৰক আহাৰ সাধাৰণতে ব্যয়বহুল হয়। কিন্তু সাধাৰণ আহাৰো পুষ্টিকাৰক হ'ব পাৰে আৰু ইয়াৰ দ্বাৰাই ব্যাপকভাৱে দেখা পোৱা কেলৰীৰ অভাৱজনিত সমস্যা সমাধানত যে সহায় কৰিব পৰা যায় এই কথাত এই আঁচনিৰ যোগেদি গুৰুত্ব দিয়া হয়।

বিদ্যালয় মধ্যাহ্ন ভোজন আঁচনিৰ লগত জড়িত আন এটা দিশ হৈছে সামাজিকীকৰণ। শিশুসকলে বিদ্যালয়ত একে লগে বহি আহাৰ গ্ৰহণ কৰিলে সমাজত সততে দেখা পোৱা সামাজিক বিভেদ দূৰ হয়।

## 5.3.3.3 খোৱাপানী, প্ৰস্ৰাৱগাৰ, পায়খানা, খেলপথাৰ আৰু খেলা-ধূলাৰ সা-সুবিধা ঃ

**কাৰ্যাৱলী- 9**

আপুনি 5.3.3 অংশত বিদ্যালয়ত খোৱাপানীৰ ব্যৱস্থা আৰু প্ৰস্ৰাৱগাৰ, পায়খানা সম্পৰ্কত এটা কাৰ্যাৱলী সম্পাদন কৰিছোঁ। এই ক্ষেত্ৰত তলৰ দিশসমূহ বিচাৰ কৰক ঃ

- প্ৰস্ৰাৱগাৰ, পায়খানাসমূহ ব্যৱহাৰৰ অনুপযোগী নেকি?
- প্ৰস্ৰাৱগাৰ, পায়খানাসমূহৰ বন্ধ কৰাৰ ব্যৱস্থা আছেনে?
- যদি প্ৰস্ৰাৱাগাৰ আৰু পায়খানাসমূহ সমূহীয়া তেন্তে ল'ৰা-ছোৱালীৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?
- পানী যোগানৰ সু-ব্যৱস্থা আছেনে?
- যোগান ধৰা পানী খোৱাৰ উপযুক্ত আৰু স্বাস্থ্যসন্মত নে?

শিক্ষা অধিকাৰ আইন, 2009-ত খোৱাপানী আৰু স্বাস্থ্যসন্মত সা-সুবিধাৰ ব্যৱস্থাকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এজন শিক্ষক হিচাবে আপুনি শিক্ষা অধিকাৰ আইনৰ দ্বাৰা নিৰ্ধাৰিত আপোনাৰ বিদ্যালয়ৰ বিভিন্ন সা-সুবিধাসমূহৰ সম্পৰ্কে

টোকা

সচেতন হোৱা উচিত। গাঁৱৰ দুই-এখন বিদ্যালয়ৰ বাহিৰে প্ৰায় সকলো বিদ্যালয়তে বৰ্তমান সৰ্বশিক্ষা অভিযানৰ আঁচনিৰ দ্বাৰা প্ৰস্ৰাৱগাৰ, পায়খানা আৰু খোৱাপানী যোগানৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত সৰ্বশিক্ষা আঁচনিৰ বাহিৰত বৈ যোৱা গাঁৱৰ বিদ্যালয় স্কুলসমূহত গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত পানী যোগান আঁচনিৰ অধীনত পানী যোগান ধৰা হয়।

বিদ্যালয়সমূহত শিশুসকলৰ বাবে অৱসৰযাপন আৰু খেলা-ধূলাৰো সুব্যৱস্থা থাকিব লাগে। বৰ্তমান বিদ্যালয়ৰ খেল পথাৰৰ চোৱা-চিতা কৰাৰ ক্ষেত্ৰত সমাজক জড়িত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই ক্ষেত্ৰত সমাজৰ লোকসকলে শ্ৰমদান বা দান-বৰঙণিৰ ব্যৱস্থা কৰিব পাৰে। স্থানীয় খেলা-ধূলাৰ বাবে প্ৰয়োজনীয় খেলাৰ সা-সঁজুলি সমূহ শিশুসকলক যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষা অধিকাৰ আইন 2009ৰ নিৰ্দেশিত এখন বিদ্যালয়ৰ বাবে প্ৰয়োজনীয় আন কিছুমান ব্যৱস্থা হৈছে—

1. ৰান্ধনিঘৰ ঃ বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ বাবে পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত ৰান্ধনিঘৰ থাকিব লাগে। মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত ইয়াৰ ব্যৱস্থা কৰিব লাগে।
2. চৌহদৰ চাৰিসীমাৰ দেৱাল ঃ চৌহদৰ চাৰিওফালে দেৱালৰ ব্যৱস্থা কৰি স্কুল চৌহদৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ৰ দেৱাল থাকিলে জীৱ-জন্তু সহজে বিদ্যালয় চৌহদত প্ৰৱেশ কৰিব নোৱাৰে আৰু স্কুল চৌহদত বিভিন্ন অঘটন আৰু অপকাৰ্য সংঘটিত হ'ব নোৱাৰে। আনহাতেদি বিদ্যালয় চৌহদত বেৰাৰ ব্যৱস্থা কৰিলে বিদ্যালয়ত বাগিচা পতা সম্ভৱ হয়। মুঠতে বিদ্যালয় চৌহদত দেৱালৰ ব্যৱস্থা কৰি বিদ্যালয় পৰিৱেশ সেউজীয়া, নিৰাপদ আৰু শিক্ষাৰ্থীৰ অনুকূল ৰূপত গঢ় দিব পৰা যায়।

**শিশুৰ অনুকূল ব্যৱস্থা গ্ৰহণ ঃ**





A.https://edutechdebate.org/teacher-training/B.http://mumbaismiles.blogspot.com/2010_05_01_archive.html

**কাৰ্যাৱলী- 10**

ওপৰৰ A আৰু চিত্ৰত B দেখুওৱা দুই প্ৰকাৰৰ শ্ৰেণী পৰিৱেশৰ তুলনা কৰক। শিশুৰ অনুকূলৰ পৰিৱেশৰ দিশৰ পৰা এই দুয়ো পৰিস্থিতিক বিচাৰ কৰা। উদাহৰণ স্বৰূপে বহাৰ ব্যৱস্থা, আচবাব, শিক্ষাৰ্থীৰ উৎসাহ উদ্দীপনা, শিক্ষকৰ কাৰ্যাৱলী আৰু আন আন দিশসমূহ বিচাৰ কৰিব।



টোকা

আপোনালোকে এই কথাত সহমত প্ৰকাশ কৰিব যে বিদ্যালয় গৃহ শিশুৰ প্ৰয়োজনৰ লগত খাপ খোৱা বিধৰ হ'ব লাগে। ইয়াৰ সা-সুবিধাসমূহ শিশুসকলৰ বয়সৰ লগত সামঞ্জস্যপূৰ্ণ হ'ব লাগে। শিশুৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি পানীৰ টেপসমূহ বেলেগ বেলেগ উচ্চতাত দিব লাগে। কাপবোৰ্ডে আৰু চকবোৰ্ডও শিশুৱে ঢুকি পোৱা উচ্চতাত দিব লাগে। বিদ্যালয় পৰিৱেশৰ শৈক্ষিক সম্ভাৱনীয়তাসমূহক শিক্ষাদান সংক্ৰান্তীয় কাৰ্যত সৰ্বাধিক ব্যৱহাৰ কৰিব লাগে। উদাহৰণ স্বৰূপে আমি BaLa (Building as Learning Aid) ৰ কথা উল্লেখ কৰিব পাৰো। বিভিন্ন ৰাজ্যত বিদ্যালয় গৃহৰ বিভিন্ন স্থানসমূহ BaLa ব্যৱস্থাৰ দ্বাৰা শিক্ষাদানৰ সম্ভাৱনীয়তাৰ সৰ্বাধিক বৃদ্ধিৰ বাবে ব্যৱহাৰ কৰা হৈছে। BaLa ব্যৱস্থাৰ অংশ হিচাপে শ্ৰেণীকক্ষৰ মজিয়া ৰং-বিৰঙৰ জ্যামিতিক নক্সাৰে সজাব পৰা যায়, ফেনখনত ৰামধেনুৰ ৰং দিব পৰা যায় অথবা দেৱালত শিক্ষা সম্পৰ্কীয় বিষয় অংকন কৰিব পৰা যায়।

**আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক- 4**

তলত নিৰ্ধাৰিত স্থানত উত্তৰ লিখক ঃ

1. বিদ্যালয়ৰ শিশুসকলৰ বাবে মধ্যাহ্ন ভোজন আঁচনিৰ দুটা উপকাৰিতা লিখক ঃ

.......................................................................................................

.......................................................................................................

.......................................................................................................

2. বিদ্যালয়ৰ ভিতৰত শিশুসকলৰ নিৰাপত্তা নিশ্চিতকৰণৰ বাবে RTE আইন 2009 ত উল্লেখ কৰা নিৰ্দেশসমূহ বৰ্ণনা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 5.4 শিশুকেন্দ্ৰিক শিক্ষাদান প্ৰক্ৰিয়াত সহায় কৰা ঃ

**কাৰ্যাৱলী ঃ** 11

আপুনি পঢ়াব লগা এটা বিষয়ৰ এটা পাঠৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰক। এই ক্ষেত্ৰত তলৰ বিষয়সমূহ বিশেষভাৱে উল্লেখ কৰক।

- শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষাৰ্থীসকলক জড়িত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিব?
- পাঠত আপুনি কি শিক্ষণ-শিকন আহিলা ব্যৱহাৰ কৰি।
- লাইব্ৰেৰী, জনমাধ্যম বা অন্যান্য সামাজিক সম্পদ ইত্যাদিৰ কোনবোৰ সম্পদক অতিৰিক্ত সম্পদ হিচাবে শিক্ষাৰ্থীসকলক ব্যৱহাৰৰ বাবে উৎসাহিত কৰিব?
- আপুনি ব্যৱহাৰ কৰা শিক্ষণ কৌশলসমূহক শিক্ষাৰ্থীকেন্দ্ৰিক আৰু শিক্ষক-কেন্দ্ৰিক হিচাবে শ্ৰেণী বিভাগ কৰক।



টোকা

শ্ৰেণী কক্ষৰ ব্যৱহৃত বিভিন্ন প্ৰক্ৰিয়া সমূহে শিক্ষাৰ গুণগত মানক প্ৰভাৱিত কৰে। আপুনি নিশ্চয় এই কথা স্বীকাৰ কৰিব যে শিক্ষক হিচাবে আপুনি শিশু কেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। কাৰণ এই ব্যৱস্থা অধিক গ্ৰহণযোগ্য। কিন্তু সেয়ে হ'লেও শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষককেন্দ্ৰিক আৰু বক্তৃতা পদ্ধতিৰ প্ৰাধান্য অধিক দেখা যায়। আপুনি ইতিমধ্যে জানিব পাৰিছে যে NCF, 2005-ত শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এতিয়া আমি RTE আইনত গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিশুকেন্দ্ৰিক শিক্ষাদান পদ্ধতিৰ ধাৰণা সম্পৰ্কে কেনে ধৰণৰ ব্যাখ্যা আগবঢ়োৱা হৈছে সেই সম্পৰ্কে আলোচনা কৰো আহক।

## 5.4.1. শিশু কেন্দ্ৰিক শিক্ষাৰ ধাৰণা ঃ

শিশুকেন্দ্ৰিক শিক্ষাদান ব্যৱস্থাক উৎসাহিত কৰিবৰ বাবে দেশৰ বিভিন্ন স্থানত বহু পৰীক্ষা-নীৰিক্ষা কৰা হৈছিল। উদাহৰণ স্বৰূপে, তামিলনাডুত ক্ৰিয়াভিত্তিক পদ্ধতি, কৰ্ণাটকত নাল্লি কেলি প্ৰগ্ৰেম, হাচং গাবাদ বিজ্ঞান শিক্ষক প্ৰগ্ৰেম, কৰ্ণাটক ইত্যাদি। এই সকলো ব্যৱস্থাত শিশুৰ শিকন কাৰ্যত সক্ৰিয় অংশগ্ৰহণ আৰু সূক্ষ্ম চিন্তন আৰু সমস্যা সমাধান দক্ষতা বৃদ্ধিৰ যোগেদি শিশুৰ সাৰ্বিক বিকাশক মূলভিত্তি হিচাবে গুৰুত্ব প্ৰদান কৰা হৈছিল। আপুনি ইতিমধ্যে শিশু কেন্দ্ৰিক শিক্ষাদান পদ্ধতি সম্পৰ্কে জানিব পাৰিছে আৰু ইয়াৰ ভিত্তিত বিদ্যালয় পৰিস্থিতিত গুণগত শিক্ষা প্ৰদানৰ বাবে শিক্ষাৰ্থীসকল ভালদৰে বুজিব পাৰিব।

গতানুগতিক শিক্ষা ব্যৱস্থাত শিক্ষকে শ্ৰেণীকক্ষৰ সকলো কাৰ্য নিয়ন্ত্ৰণ কৰে আৰু শিক্ষাৰ্থীসকল শ্ৰেণীকক্ষত কেৱল নিষ্ক্ৰিয় গৃহীতা। শিক্ষাকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ অন্তৰালৰ দৰ্শন হৈছে 'সংগঠনবাদ'। এই সংগঠনবাদৰ মতে শিক্ষাৰ্থীয়ে তেওঁলোকৰ পূৰ্ব অভিজ্ঞতাৰ ভিত্তিত নতুন জ্ঞানৰ সংগঠন কৰে। শিক্ষাৰ্থীয়ে নিজৰ শিকন কৌশল নিজে নিৰ্ধাৰণ কৰে। এই ক্ষেত্ৰত শিক্ষকৰ কাম হৈছে এজন সহায়কাৰী হিচাবে শিক্ষাৰ্থীৰ বাবে শিকন কাৰ্য নিৰ্ধাৰণ কৰা আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত শিক্ষাৰ্থীক নিৰ্দেশনা প্ৰদান কৰা। অভিজ্ঞতা ভিত্তিক শিকনৰ কৌশলৰ ক্ষেত্ৰতো শিশুকেন্দ্ৰিক ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়। ইয়াত শিক্ষাৰ্থীৰ কাৰ্য সম্পাদনৰে শিকন কাৰ্য আৰম্ভ হয় আৰু ইয়াৰ দ্বাৰা শিক্ষাৰ্থীৰ নিজস্ব চিন্তন প্ৰক্ৰিয়াৰ বিকাশ সাধন কৰা হয়। শিশুকেন্দ্ৰিক ব্যৱস্থাৰ আন এক ব্যৱস্থা হৈছে সমস্যা সমাধান পদ্ধতি। ইয়াত শিক্ষাৰ্থীয়ে সমস্যা সম্পৰ্কত কোনো সিদ্ধান্ত গ্ৰহণ কৰে, সমস্যাৰ সমাধানৰ পৰামৰ্শ আগবঢ়াই, পৰীক্ষা কৰে, সাধাৰণীকৰণ কৰে প্ৰকৃত সমাধান নিৰ্ণয় কৰে আৰু শেষত তেওঁলোকৰ প্ৰাপ্ত ফলাফল তুলনা কৰা হয়। এই ব্যৱস্থাৰ যোগেদি শিক্ষাৰ্থীৰ চিন্তন, পৰ্যবেক্ষণ আৰু অনুসন্ধান দক্ষতাৰ বিকাশ সাধন কৰিব পৰা যায়। এজন শিক্ষক হিচাবে আপুনি শিক্ষাৰ্থীসকলক নিজৰ বিশেষ স্থানীয় পটভূমিৰ পৰিপ্ৰেক্ষিতত প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত জ্ঞান আৰু দক্ষতা অৰ্জন কৰি শিকন কাৰ্য সম্পাদনৰ সুযোগ প্ৰদান কৰিব লাগে।



টোকা

## 5.4.2. শিক্ষাৰ্থীক বুজি পোৱা ঃ

শিক্ষাৰ অধিকাৰ আইনে শিশুৰ ব্যক্তিত্বৰ সাৰ্বিক বিকাশৰ ক্ষেত্ৰত শিশুকেন্দ্ৰিক আৰু শিশুৰ অনুকূল শিক্ষাদান পদ্ধতি গ্ৰহণৰ গুৰুত্ব স্বীকাৰ কৰা হৈছে। এই ক্ষেত্ৰত শিক্ষকে এজন সহায়কাৰীৰ ভূমিকা গ্ৰহণ কৰিব লাগে আৰু এই ক্ষেত্ৰত তেওঁ শিক্ষাৰ্থীসকল দৈনন্দিন জীৱনৰ লগত সম্পৰ্ক স্থাপন কৰি শিকন কাৰ্য সম্পাদন আৰু জ্ঞানৰ সংগঠন কৰাৰ প্ৰতি অভিৰোচিত কৰিব লাগে। শিক্ষকে বিশেষভাৱে মন কৰিবলগীয়া শিক্ষাৰ্থী সংক্ৰান্তৰ কিছুমান দিশ তলত উল্লেখ কৰা হ'ল—

- শিক্ষাৰ্থীৰ দৈহিক বিকাশ আৰু স্বাস্থ্য ঃ শিক্ষাৰ্থীৰ বিকাশৰ স্তৰৰ বিশেষ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি শিকন অভিজ্ঞতা প্ৰদান কৰিব পৰা যায়।
- শিক্ষাৰ্থীৰ মানসিক ক্ষমতা আৰু সম্ভাৱনা ঃ শিক্ষাৰ্থীসকলৰ মাজত ভাষিক, স্থান সম্পৰ্কীয়, সংগীত, দৈহিক ইত্যাদি ক্ষমতাৰ দিশৰ পৰা পাৰ্থক্য দেখা যায়। শিক্ষাৰ্থীৰ এই ক্ষমতাসমূহৰ নিৰ্ধাৰিত মাত্ৰাৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ্থীক শিকন অভিজ্ঞতা প্ৰদান কৰিব লাগে।
- শিক্ষাৰ্থীয়ে গৃহ পৰিবেশত, সমাজত, বিদ্যালয়ত আৰু সমনীয়াৰ লগত মিলা-মিছা, কৰোতে লাভ কৰা সাংস্কৃতিক অভিজ্ঞতাৰ দ্বাৰা তেওঁলোকৰ শিক্ষণ কাৰ্য বিশেষভাৱে প্ৰভাৱিত হয়। শিক্ষক শিক্ষাৰ্থীৰ সাংস্কৃতিক পটভূমিৰ লগত পৰিচিত হ'ব লাগে আৰু ইয়াৰ লগত সংগতি ৰাখি শিকন অভিজ্ঞতা প্ৰদান কৰিব লাগে।

শিক্ষা অধিকাৰ আইনত মূল্যায়নক শিক্ষাদানৰ অন্তৰ কাৰ্যাৱলী হিচাবে বিবেচনা নকৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ হিচাবে ব্যাখ্যা কৰা হৈছে। এই মূল্যায়নৰ লক্ষ্য হৈছে শিক্ষাৰ্থীক শিকন পাৰদৰ্শিতাৰ বিষয়ে অবিৰতভাৱে প্ৰতিপুষ্টি প্ৰদান কৰা। এই শিক্ষা অধিকাৰ আইন অনুযায়ী কোনো শিশুকে কোনো শ্ৰেণীতেই অকৃতকাৰ্য বুলি ৰখাই থ'ব নোৱাৰিব। কাৰণ কোনো মূল্যায়ন বা পৰীক্ষাক শিক্ষাৰ্থীৰ কৃতকাৰ্যতা অকৃতকাৰ্যতা নিৰ্ণয়ৰ মাপকাঠী হিচাবে বিবেচনা কৰা উচিত নহয়। শিক্ষাৰ অধিকাৰ আইনৰ শিশুকেন্দ্ৰিক শিক্ষাদান ব্যৱস্থা NCF, 2005-ৰ লগত সংহতি ৰাখি নিৰ্দেশ কৰা হৈছে। ইয়াত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। প্ৰচলিত পৰীক্ষা ব্যৱস্থা শিশুকেন্দ্ৰিক শিক্ষাদানৰ লগত সামঞ্জস্যপূৰ্ণ নহয়। শিশুক সাৰ্বিকভাৱে জানিবৰ বাবে শিশুৰ ব্যক্তিত্ব, আচৰণ আৰু মনোভাৱ এই সকলো দিশৰ পৰ্যবেক্ষণৰ প্ৰয়োজন। এই ক্ষেত্ৰত শিক্ষাৰ্থীৰ পাৰদৰ্শিতা কেৱল বিদ্যালয় নিৰ্ধাৰিত বিষয়কেন্দ্ৰিক জ্ঞান লাভৰ ক্ষেত্ৰতেই সীমিত হৈ নাথাকিব।

গতিকে দেখা যায় যে এজন দায়িত্বশীল শিক্ষক হিচাবে আপুনি বিদ্যালয়ত শিক্ষাৰ্থীক গুণগত শিক্ষা প্ৰদান কৰি শিশুৰ সাৰ্বিক বিকাশৰ ক্ষেত্ৰত এজন দক্ষ সহায়কাৰীৰ ভূমিকা পালন কৰিব লাগিব। আপুনি শিশুৰ প্ৰাপ্য অধিকাৰসমূহৰ প্ৰতি সচেতন হোৱাৰ লগতে শিশুসকলক ভালদৰে বুজি পাবৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিব লাগিব।



টোকা



## 5.5. সংক্ষেপে জানি থওঁ আহক ঃ

এই গোটটোত আপুনি প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ব্যৱস্থাসমূহৰ ক্ষেত্ৰত সংঘটিত বিভিন্ন পৰিবৰ্তনমূলক দিশসমূহৰ বিষয়ে জানিব পাৰিছে। পূৰ্বৰ উৎসাহ প্ৰদান বা অভিৰোচন প্ৰদান ব্যৱস্থাৰ পৰিবৰ্তে শিক্ষাৰ অধিকাৰ আইন 2009 (RTE Act, 2009)ত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত শিশুৰ প্ৰাপ্য আৰু অধিকাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই গোটত এই অধিকাৰ ভিত্তিক ব্যৱস্থাসমূহৰ বিষয়ে বৰ্ণনা কৰা হৈছে আৰু নিৰ্ধাৰিত বয়স শ্ৰেণীৰ বাবে গুণগত প্ৰাথমিক শিক্ষাৰ সসান সুযোগ প্ৰদানৰ বাবে দিয়া নিৰ্দেশসমূহ আলোচনা কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত শিশুৰ অধিকাৰৰ বিষয়ে আলোচনা কৰাৰ লগতে বিদ্যালয় পৰিবেশত শিশুৰ বাবে এক নিৰাপত্তাপূৰ্ণ আৰু সুস্থ পৰিৱেশ নিৰ্ধাৰণত শিক্ষকৰ ভূমিকা সম্পৰ্কেও আলোকপাত কৰা হৈছে। ইয়াত মানৱ অধিকাৰ শিক্ষাৰে শিক্ষাৰ অধিকাৰ স্বীকাৰ কৰি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানত ৰাষ্ট্ৰৰ কৰ্তব্যৰ বিষয়েও আলোচনা কৰা হৈছে। সমগ্ৰ বিদ্যালয় বিকাশৰ দিশৰ পৰা সাৰ্বিক দৃষ্টিভংগীৰে শিক্ষাৰ সুযোগ, সমতা আৰু গুণগত মানৰ সমন্বয়ৰ বিষয়েও আলোচনা কৰা হৈছে। শিক্ষকসকলে যাতে বৈষম্যহীন, নমনীয় আৰু সকলো শিশুকে অন্তৰ্ভুক্তৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ভৌতিক আৰু সামাজিক সুযোগ সুবিধাসমূহৰ বিষয়ে বৰ্ণনা কৰা হৈছে। শিক্ষাৰ অধিকাৰ আইনত সন্নিবিষ্ট সমতাৰ দিশটোৰ ওপৰতো আলোকপাত কৰা হৈছে। লিংগ বৈষম্য আৰু আন বঞ্চিত শ্ৰেণীৰ মাজত থকা বৈষম্যসমূহৰ বিষয়েও বৰ্ণনা কৰা হৈছে। এই গোটটোত সুযোগ আৰু সমতাৰ পৰিপ্ৰেক্ষিতত গুণগত শিক্ষাৰ ধাৰণা সম্পৰ্কে বিশদ আলোচনা কৰা হৈছে। RTE আইনৰ অধীনত বিদ্যালয়ৰ ভৌতিক সা-সুবিধাৰ ব্যৱস্থাকৰণৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। প্ৰতিজন প্ৰাথমিক বিদ্যালয়ৰ শিশুৰ বাবে কিছুমান মৌলিক সা-সুবিধা যেনে ঃ শ্ৰেণীকোঠা, খেল-পথাৰ, গ্ৰন্থাগাৰ, খেলা সামগ্ৰী, প্ৰস্ৰাৱগাৰ, পায়খানা, খোৱাপানী ইত্যাদিৰ সুবিধা লাভ কৰাটো অধিকাৰগত প্ৰাপ্য। এই ভৌতিক সা-সুবিধাসমূহৰ বাহিৰেও শিক্ষাৰ গুণগত মান শিক্ষকে পাঠ্যক্ৰম, পাঠ্যপুথি আৰু উপযুক্ত শিশুকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ আৰু শিশুৰ অনুকূল শিক্ষাদান ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত শিশুৰ ব্যক্তিত্বৰ সাৰ্বিক বিকাশৰ সহায়কাৰী হিচাবে শিক্ষকৰ ভূমিকা সম্পৰ্কে বৰ্ণনা কৰা হৈছে। আৰু এই ক্ষেত্ৰত শিশুৰ অধিকাৰ সম্পৰ্কে শিক্ষাৰ অধিকাৰ আইন, 2009ৰ বিভিন্ন নিৰ্দেশসমূহৰ বিষয়ে শিক্ষকৰ সচেতনতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

## 5.6. ‘আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক’ৰ উত্তৰসমূহ ঃ

1. **আপোনাৰ অগ্ৰগতি বুজ লওঁক - 1**

(ক) 18 বছৰ ছোৱালী আৰু 21 বছৰ ল’ৰাৰ

(খ) 18 বছৰৰ ওপৰ

(গ) 18 বছৰৰ ওপৰ



টোকা

2. **আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক** -2

- 18 বছৰ বয়সলৈকে যিকোনো বিপদজনক বৃত্তিৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ (অনুচ্ছেদ -24) আৰু
- অৰ্থনৈতিক প্ৰয়োজনত শিশুৰ বয়স আৰু শক্তিৰ অনুপযোগী বৃত্তিত নিয়োগৰ পৰা সুৰক্ষা লাভৰ অধিকাৰ (অনুচ্ছেদ 390)

3. **আপোনাৰ অগ্ৰগতি বুজ লওঁক - 3**

(ক) জনজাতীয় ভাষাত শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰণৰ বাবে সমাজৰ স্থানীয় লোকসকলৰ সাহায্য গ্ৰহণ কৰা

(খ) শ্ৰেণীকক্ষত জনজাতীয় শিশুসকলক ভালদৰে বুজি পাবৰ বাবে অজনজাতীয় শিক্ষকসকল জনজাতীয় সংস্কৃতি, আচাৰ ব্যৱহাৰ, নীতি-নিয়ম আদিৰ প্ৰতি সচেতন হ'ব লাগে।

4. **আপোনাৰ অগ্ৰগতি বুজ লওঁক - í**

1, (ক) মধ্যাহ্ন ভোজন আঁচনিয়ে বিদ্যালয়ত উপস্থিত থাকিবলৈ আগ্ৰহহীন শিক্ষাৰ্থীসকলক বিদ্যালয়ত উপস্থিত থাকিবলৈ অভিৰোচিত কৰে। গতিকে ই বিদ্যালয়ত উপস্থিতিৰ হাৰ বৃদ্ধি কৰে। অপুষ্টিত ভোগা শিক্ষাৰ্থীসকলৰ পুষ্টিৰ মাত্ৰা বৃদ্ধিৰ ক্ষেত্ৰতো ই অৰিহণা যোগায়।

(খ) বিদ্যালয়ৰ আন্তঃগাঁথনি প্ৰাকৃতিক আৰু মানৱ সৃষ্ট বিপদৰ পৰা সুৰক্ষিত হ'ব লাগে।

2. (ক) বিদ্যালয় চৌহদত দেৱাল বা ফেন্সিং থকা দৰকাৰ কাৰণ তেতিয়া বিদ্যালয় চৌহদ জীৱ-জন্তুৰ সহজ বিচৰণ আৰু অনুপ্ৰৱেশকাৰীৰ আৰু আন অগ্ৰহণযোগ্য কামৰ পৰা মুক্ত হ'ব।

(খ) বিদ্যালয় গৃহ ভূমিকম্পৰ দ্বাৰা যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

## 5.8. পৰামৰ্শমূলক প্ৰাসংগিক পুথি ঃ


1. Chinobo, Joseph.P.G.(2005): Issues in Basic Education in Developing Countries: An Exploration of Policy Options for Improved Delivery. Journal of International Cooperation in Education. Volume 8, No: 1, pp 129-152. Retrieved (20-09-2011) from http://home.hiroshima-u.ac.jp/cice/ chimombo8-1.pdf
2. DEP-SSA, IGNOU (2007): Effective Classroom Processes (A Resource Book)
3. Pajankar, V.D. and Pajankar, P.V. (2010). Development of School



টোকা

Education Status in India. Journal of Social science, 22(1), pp 15-23. Retrieved (30- 09-2011) from http://www.krepublishers.com/02-Journals/JSS/JSS-22-0- 000-10-Web/JSS-22-1-000-10-Abst-PDF/JSS-22-1-015-10-935-

4. Public Report on Basic Education in India (1999) : Oxford University Press, New Delhi

5. Right to Education Act 2010, Government of India. Journal of Social Science, 22(1).Retrieved (20-09-2011) from http://www.education.nic.in/elementary/free%20and%20compulsory.pdf

6. Sarva Shiksha Abhiyan, Framework of Implementation (16-12-2010). Retrieved (24-09-2011) from http://www.cips.org.in/public-sector-systemsgovernment innovations/documents/articles/draft_ssa_framework.pdf

7. Sarva Shiksha Abhiyan, Framework of Implementation (Revised 09-06-2011). Retrieved (24-09-2011) from http://ssa.nic.in/page_portletlinks? foldername=ssa-framework

8. S. Kishore (18th April, 2011). Report of the Special Rapporteur on the Right to Education Retrieved ( 17-10-2011) from http://www.vvob.be/intranet/files/a-hrc-17-29.pdf

9. Sharma, S (2006). Learner Centered Approaches, in Santosh Sharma (ed) Constructivist Approaches to Teaching and Learning. Handbook for teachers of Secondary Stage, NCERT, New Delhi

**Web Resources (Accessed on 24-09-2011)**

**1.** www.cips.org.in/public-sector-systems-government-innovation/docments/articles/draft-ssa-framework.pdf

**2.** http://www.indg.in/primary-education/education-as-fundamental-humanright/education-as-fundamental-and-human-right-1

**3.** http://mdm.nic.in/

**4.** http://www.ecoliteracy.org/teach

**5.** www.asercentre.org

**6.** https://edutechdebate.org/teacher-training/we-cannot-train-more-teacherswe-must-empower-them-with-technology/

**7.** http://www.studentsoftheworld.info/sites/society/childabuse.php



টোকা

**8.** http://www.pluggd.in/right-to-education-fundamental-right-in-india-297/

**9.** http://www.thehindu.com/education/article2134454.ece

**10.** http://mumbaismiles.blogspot.com/2010_05_01_archive.html

## 10.9 গোটৰ অন্তত অনুশীলনী ঃ

1. শিক্ষাৰ অধিকাৰ আইনৰ মূল উদ্দেশ্যসমূহ ব্যাখ্যা কৰা।
2. শিক্ষাৰ্থীয়ে বিদ্যালয়ত এনে সুস্থ পৰিৱেশ লাভৰ বাবে প্ৰয়োজনীয় বিদ্যালয়ৰ সম্পদসমূহৰ বিষয়ে আলোচনা কৰা।

*****